# বৰদধি গাঁৱৰ ইতিহাস



শ্ৰী দণ্ডিৰাম দাস

COLLEGE
LIBRARY

# বৰদধি গাঁৱৰ ইতিহাস

D C Library
5601

শ্ৰীদণ্ডিৰাম দাস

প্ৰকাশক :
শ্ৰীদত্তিৰাম দাস
বৰদধি সত্ৰ

5601/A

প্ৰকাশ : ফেব্ৰুৱাৰী— ১৯৯৯ চন

মূল্য : ১৫·০০ টকা।

মুদ্ৰণ :
আৰ্য বুক বাইণ্ডিং এণ্ড প্ৰিণ্টিং
পূব শৰণীয়া, গুৱাহাটী-৩

# নিবেদন

আমাৰ "বৰদধি গাঁৱৰ চমু ইতিবৃত্ত" নামৰ পুস্তিকাখনিত বৰদধি গাঁৱৰ কিছু কথা ইতিমধ্যে প্ৰকাশ হৈ গৈছে। এইখনত বৰদধি গাঁৱৰ সত্ত্ৰপৰ সকলো কথাকে সন্নিবিষ্ট কৰি আৰু প্ৰয়োজনবোধে সংশোধন কৰি প্ৰকাশ কৰা হৈছে।

কি কাৰণত নাজানো— আমাৰ ছাত্ৰ অৱস্থাত আমাৰ গাঁৱত কিছু বয়োবৃদ্ধ, জ্ঞানবৃদ্ধ আৰু নেতৃস্থানীয় ব্যক্তি আমাৰ ঘৰলৈ প্ৰায়ে আহে আৰু আমাৰ ওচৰত গাঁওখনৰ বিষয়ে বিভিন্ন কথা আৰু নীতি-বচনৰ কথা কয়। আমি মনোযোগেৰে শুনো আৰু দৰ্কাৰী কথাবোৰ টোকা কৰি ৰাখো। ইয়াৰ উপৰিও বিভিন্ন চৰিত পুথি, গ্ৰন্থ-আলোচনী আদি পঢ়ি আৰু নিজৰ অভিজ্ঞতালব্ধ তথ্য সামৰি "বৰদধি গাঁৱৰ ইতিহাস" নামৰ গ্ৰন্থখন প্ৰকাশ কৰা হ'ল।

আশা ৰাখিছো ৰাইজে গ্ৰন্থখন আদৰি লব। ভুল-ভ্ৰান্তি আঙুলিয়াই দিলে পৰৱৰ্ত্তী দ্বিতীয় খণ্ডত শুধৰাই দিয়া হব। দ্বিতীয় খণ্ডত বিশেষকৈ প্ৰকাশ পাব— গাঁওখনৰ পৰিয়ালসকলৰ বংশাৱলী আৰু আন কিছুমান কথা। প্ৰেছৰ লগত লাগি থাকি যাবতীয় কাম-কাজখিনিত সহায় কৰা বাবে ডাঙৰ জোৱাই সমীন কলিতালৈ আশীৰ্বাদ থাকিল।

যিসকল লোকে সমল সংগ্ৰহত আমাক সহায় কৰিছে, তেওঁলোকলৈ (মৃত আৰু জীৱিত) আমাৰ শলাগ থাকিল। ইতি—

তাং— ১৩/২/৯৯

শ্ৰীদণ্ডিৰাম দাস
বৰদধি সত্ৰ

# সূচীপত্ৰ


১। বৰদধি গাঁৱৰ ঐতিহাসিক পটভূমি ... ১

২। বৰদধি গাঁৱৰ ভৌগোলিক সীমা, বিভিন্ন চুবুৰী আৰু পথাৰৰ পৰিচয় ... ১১

৩। বৰদধি গাঁৱৰ স্থায়ী বাসিন্দাসকলৰ পৰিচয় ... ১৯

৪। বৰদধি গাঁৱৰ পটোৱা সম্প্ৰদায়ৰ লোকৰ পৰিচয় ... ২১

৫। পৰৱৰ্ত্তী কালত বৰদধি গাঁৱৰপৰা উঠি যোৱা আৰু বৰদধি গাঁৱলৈ উঠি অহা পৰিয়ালৰ পৰিচয় ... ২৩

৬। বৰদধি গাঁৱৰ সত্ৰ অনুষ্ঠান আৰু ধৰ্মীয় ধাৰা ... ২৫

৭। বৰদধি গাঁৱৰ সমাজ ব্যৱস্থা ... ৩০

৮। বৰদধি গাঁৱৰ মহিলা সমাজ ... ৩৮

৯। বেজালি বিদ্যাত বৰদধি গাঁৱৰ ভূমিকা ... ৪১

১০। বিভিন্ন আন্দোলনত বৰদধি গাঁৱৰ ভূমিকা ... ৪২

১১। শিক্ষাৰ ক্ষেত্ৰত বৰদধি গাঁৱৰ ভূমিকা ... ৪৭

১২। কলা-কৃষ্টি, খেলা-ধূলা আৰু সাহিত্যত বৰদধি গাঁৱৰ ভূমিকা ... ৪৯

১৩। ৰাজনীতিত বৰদধি গাঁৱৰ স্থান ... ৫৭

১৪। বৰদধি গাঁৱৰ আৰ্থিক দিশ ... ৫৯

১৫। দমদমা অঞ্চলত অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়াত বৰদধি গাঁৱৰ ভূমিকা ... ৬১

১৬। বৰদধি গাঁৱৰ অনুষ্ঠানবোৰ ... ৬৫

১৭। বৰদধি গাঁৱৰ উৎসৱবোৰ ... ৭৬

১৮। উচ্চ স্তৰত স্বতন্ত্ৰবীয়, চৰকাৰী, অৰ্দ্ধ-চৰকাৰী আৰু বে-চৰকাৰী বিভাগত চাকৰি কৰা বৰদধি গাঁৱৰ বাসিন্দাসকলৰ পৰিচয় ... ৮২

## সহায়ক হোৱা গ্ৰন্থবোৰ ঃ


১। আউনিআটী সত্ৰৰ বুৰঞ্জী— তীৰ্থনাথ শৰ্মা

২। অসম দেশৰ বুৰঞ্জী— ড° লক্ষী দেৱী

৩। চন্দ্ৰকান্ত বিদ্যালঙ্কাৰ স্মৃতিগ্ৰন্থ— ৰজনীকান্ত দেৱ শৰ্মাৰ সম্পাদনাত

৪। বাহাৰী স্থান-আই-ঘাইবী— ড° এম. আই. বৰা (অনুবাদক)

৫। লক্ষীকান্ত আতৈ চৰিত— মহং চন্দ্ৰ মহন্ত

৬। কথা গুৰু-চৰিত— উপেন্দ্ৰ নাথ লেখাৰুৰ সম্পাদনাত

৭। A History of Assam— By Edward Gait

৮। বুৰঞ্জীৰ প্ৰকৃতি আৰু স্বৰূপ— অসম সাহিত্য সভা

৯। Early History of Kamrup— By Rai Bahadur K. L. Baruah

১০। হাজো ৰাজহ চক্ৰৰপৰা সংগৃহীত তথ্য।

# বৰদধি গাঁৱৰ ঐতিহাসিক পটভূমি

কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক॥
কৰে হিংসা ধৰ্ম নুপুজে বোধ।
নুগুচয় যেন সৰ্পৰ ক্ৰোধ॥
হাসে বৈষ্ণৱক যিটো নিষখল।
পাপত সমূলঞ্চে যায় তল॥

—কীৰ্ত্তন ঘোষা

কামৰূপ জিলাৰ বুৰঞ্জী-প্ৰসিদ্ধ হাজোৰ ওচৰৰ "দধি" এখন ইতিহাসে গৰকা গাঁও। কিম্বদন্তি আছে যে,—ভগৱান শ্ৰীকৃষ্ণই হাজোৰ ওচৰত থকা তুৰনি-মুৰনি টিলাত গৰু-গাই ৰাখি-মেলি এই গাঁৱত গাখীৰ, দৈ কৰাৰ নিমিত্তে জমাইছিল। সেই গুণে গাঁওখনৰ নাম "দধি" হয়। এই কথাই প্ৰমাণ কৰে যে— ৰামায়ণ-মহাভাৰত যুগৰে পৰা হাজো ৰাজহচক্ৰ আৰু দমদমা অঞ্চলত অৱস্থিত বৰদধি এখন অতি প্ৰাচীন গাওঁ।

খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰে পৰা অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন থকা বুলি জনা যায়। দ্বাদশ শতিকালৈকে বৈষ্ণৱ ধৰ্মৰ পয়োভৰ থকা বুলি কালিকা পুৰাণেও কয়। চৈধ্য শ শতিকাত দুৰ্ল্লভ নাৰায়ণ ৰজাৰ ৰাজত্ব কালত অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰবাহ নকৈ আৰম্ভ হয়। এইজনা ৰজাই কনৌজৰ পৰা সাত ঘৰ ব্ৰাহ্মণ আৰু সাত ঘৰ কায়স্থ অসমলৈ আনে। এখেতসকলেই অসমত বৈষ্ণৱ ধৰ্মৰ কাণ্ডাৰী হৈ পৰে। তেতিয়াৰে পৰা হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ ভাগৱত চৰ্চ্চাৰ প্ৰাণকেন্দ্ৰ হৈ উঠে। স্মৰণীয় যে সেই যুগৰেপৰা আজিলৈ হাজো অঞ্চলত "দধি"

গাঁওখন প্ৰকৃত অৰ্থত বৈষ্ণৱ ধৰ্মীয় গাঁও হিচাপে জিলিকি আছে। গাঁওখনক চাৰিওদিশে আবৰি আছে দামোদৰীয়া, শাক্ত আৰু শৈৱপন্থী গাঁওবোৰে।

গাঁওখনৰ উত্তৰ পশ্চিমত পদুম-পুখুৰী নামেৰে এটা পুখুৰী আছে। কথিত আছে যে এই পুখুৰীটো ইতিহাস-প্ৰসিদ্ধ আৰিমত্ত ৰজাই ৰাইজে পানী খোৱাৰ বাবে খন্দাইছিল। আৰিমত্ত ৰজাৰ ৰাজত্ব কাল ১৩৬৫-৮৫ খ্ৰীষ্টাব্দৰ ভিতৰত। দধি গাঁৱৰ প্ৰাচীনত্ব ইয়ো এক নিদৰ্শন।

বুৰঞ্জীৰপৰা জনা যায় যে কালাপাহাৰে হিন্দু বিদ্বেষী হৈ আন-আন মন্দিৰৰ লগতে হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰো ধ্বংশ কৰে। কোচ ৰজা ৰঘুদেৱে তেওঁলোকৰ ৰাজসভাত বিদগ্ধ পণ্ডিত পিতাম্বৰ সিদ্ধান্ত বাগীছদেৱক ১৫৮৩ খ্ৰীষ্টাব্দত এই মন্দিৰ পুনৰনিৰ্মাণ কৰাৰ তদাৰক কৰিবলৈ হাজোলৈ পঠিয়ায়। বাগীছদেৱে দধিত থাকিয়ে মন্দিৰৰ কামৰ তদাৰক কৰিছিল। অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা আৰু ৰজনীকান্ত দেৱ শৰ্মাৰ সম্পাদনাত কামৰূপৰ গামেৰিমুৰী গাঁৱৰ পৰা প্ৰকাশিত চন্দ্ৰকান্ত বিদ্যালঙ্কাৰ স্মৃতিগ্ৰন্থত এনেধৰণে উল্লেখ আছে ঃ

"মন্দিৰৰ পুনৰনিৰ্মাণৰ পিছত মাধৱ মন্দিৰৰ ওচৰত মণি পৰ্বতৰ নামনিৰ 'দধিক্ষীৰ' নামৰ গাঁৱত বাগীছদেৱে বাস কৰিছিল (সম্ভৱতঃ বৰ্তমানৰ 'দধি' নামৰ গাওঁখনকেই তেতিয়া 'দধিক্ষীৰ' বুলিছিল— ২০৪ পৃষ্ঠা)। এই গ্ৰন্থতে বাগীছদেৱে ৯০ বছৰকাল (১৫২৫-১৬১৫) জীয়াই থকা বুলি উল্লেখ আছে।" দধি গাওঁখন যে সাধু-সন্ত আৰু বৈষ্ণৱলোকে বাস কৰা এখন প্ৰাচীন গাঁও বাগীছদেৱৰ দধি গাঁৱত অৱস্থানৰ কথাই প্ৰমাণ কৰে।

কালক্ৰমত হাজো-গুৱাহাটী চৰকাৰী পথৰ দক্ষিণ খণ্ড বৰদধি আৰু উত্তৰ খণ্ড ক্ষুদ্ৰদধি নামেৰে জনাজাত হয়।

মোগল সম্ৰাট ছাজাহান আৰু ঔৰংজেৱৰ ৰাজত্ব কালত (১৬২৭-১৭০৭) মোগল সৈন্য আৰু আহোম সৈন্যৰ মাজত হোৱা যুদ্ধত আহোম

সৈন্যই এই বৰদধি গাঁওত ছাউনি পাতি যুদ্ধ কৰাৰ উল্লেখ পাৰ্চী ভাষাত লিখা বাহৰিষ্টান-আই ঘাইবী নামৰ (অনুবাদ কৰিছে ড° এম. আই. বৰা, এম. এ. বি এল., ডি. এ. ছি. পি. এইচ. দি., লণ্ডন) বুৰঞ্জীৰ ২য় খণ্ডৰ ৪৮০ পৃষ্ঠাত নিম্ন ধৰণে লিপিবদ্ধ হৈ আছে—

"Mirza Yusuf alongwith the force of Pandu, was again ordered to proceed to re-conquer Pandu which had been captured by Raja Baldev without any battle after its evacuation and to occupy it by the favour of God. Mirza Yusuf and others proceeded and pitched their camp in a char or island situated between Hajo and Pandu. As Baldev had previously received the report of the despatch of their regiment and their arrival, he wrote to Burkagohain and ete of Assam. These people reached the mouth of the river Kalong with a large force and innumerable elephants and boats. When they received the letter, they marched from that place and encamped at the village of Budhadunaga (Bardadhi Gaon)."

ইতিমধ্যে ১৫৮৭ চনত হাজোৰ ধোপৰগুৰি সত্ৰত লক্ষীকান্ত আতৈ ধৰ্মাচাৰ্য হিচাপে অধিষ্ঠিত হয়। এই সত্ৰৰ জৰিয়তে তেওঁ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে প্ৰচাৰ কৰা একশৰণ বৈষ্ণৱ-ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰ্য আৰম্ভ কৰে। অঞ্চলৰ বিভিন্ন গাওঁৰ পৰা ধৰ্ম-পিপাসু লোক গৈ, তেওঁৰ ওচৰত ধৰ্ম গ্ৰহণ কৰে। তেনেদৰে বৰদধি গাঁৱৰ চাৰিজন বুঢ়া (নাৰদ, হৰিভকত, গভিচিন্তামণি আৰু ওলোমা), গুৱালকুছিৰ চাৰিজন বুঢ়া (ভুঞীয়া, জনাৰ্দ্দন, গুটিমৌ আৰু খবৰদাহ) আৰু গুৱাহাটী-দক্ষিণ শিংৰা গাওঁৰ চাৰিজন বুঢ়া (বিশ্বেশ্বৰ, সিদ্ধেশ্বৰ,

বগা কাজি আৰু কলা কাজি ) মুঠ বাৰজন বুঢ়াই হাজোৰ ধোপৰগুৰি সত্ৰলৈ গৈ শ্ৰীলক্ষীকান্ত আতৈৰ ওচৰত একশৰণ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে। উল্লেখ যোগ্য যে সেই সময়ত বৰদধি, শুৱালকুছি, মৈহাটী দক্ষিণ শিংৰা গাঁৱৰ মাজত বিয়া-বাৰুৰ সম্বন্ধ বৰ বেছি আছিল কাৰণে বাৰজন বুঢ়াৰ একলগ হোৱাৰ সুবিধা আছিল।

যাতায়াতৰ ক্ষেত্ৰত তেতিয়া হাজোলৈ যোৱা পথ অতি দুৰ্গম আছিল। অটবা হাবি-জঙ্ঘলৰ মাজেৰে হিংস্ৰ জন্তু অতিক্ৰম কৰি যাবলগীয়া হৈছিল। এই সংকট মোচনৰ অৰ্থে বৰদধি, শুৱালকুছি আৰু মৈহাটী-দক্ষিণ শিংৰাৰ বাৰজন বুঢ়াই লক্ষীকান্ত আতৈক বিনম্ৰ অনুৰোধ জনাই তেওঁৰ দ্বিতীয়জন পুত্ৰ সনাতন আতাক তেওঁলোক সকলোৰে মধ্যস্থান বৰদধি গাঁৱলৈ আনে। এয়া ১৬৭৫ চনৰ কথা। সনাতন আতাক পাই তেওঁলোক আত্মহাৰা হৈ পৰে আৰু অতি শীঘ্ৰে বৰদধি গাঁৱত এখন সত্ৰ নিৰ্মাণ কৰি দিয়ে। সত্ৰৰ নামকৰণ হয়— "বৰদধি সনাতন বুঢ়া কীৰ্ত্তন ঘৰ সত্ৰ"।

ইয়াতেই সনাতন আতাৰ পিতৃপুৰুষ লক্ষীকান্ত আতৈৰ জন্ম পৰিচয় দাঙি ধৰা হ'ল :

লক্ষীকান্ত আতৈৰ পিতৃ-পুৰুষ পুহকৰগিৰি নৱদ্বীপৰ অন্তৰ্গত শান্তিপুৰ গাঁৱৰ অধিবাসী আছিল। পুহকৰ গিৰিয়ে নিজ ভাৰ্য্যা সিদ্ধি-গেন্ধাক লগত লৈ কোচবিহাৰ জিলাৰ অন্তৰ্গত বিজয়পুৰ পৰগণাৰ কৰেবাৰী গাঁৱৰ ঘোৰাঘাটৰ পাৰত বসতি কৰি বেহাবেপাৰ কৰিছিল। ইয়াতেই ১৫৬৬ চনত লক্ষীকান্ত আতৈৰ জন্ম হয়। ভূমিষ্ঠ হোৱা মাত্ৰকে মাক সিদ্ধিগেন্ধাৰ প্ৰসূতি ৰোগত মৃত্যু হয়। জন্মৰ তিনিদিন পিছতে পুহকৰ গিৰিয়ে শিশুটিক বিশ্ব নিয়ন্তাৰ হাতত সমৰ্পণ কৰি আৰু ঘৰ-দুৱাৰ বন্ধ কৰি নিজ দেশলৈ গুচি যায়। ওচৰৰে ভাগ্যৱতী নামৰ কেওটনী তিৰোতা এজনীয়ে শিশুৰ ক্ৰন্দন শুনি শিশুটিক নিজ ঘৰলৈ নি প্ৰতি-পালন কৰিলে। তেওঁৰ হতুতে লক্ষীকান্ত আতৈ ডাঙৰ-দীঘল হয় আৰু শিক্ষা-দীক্ষা লয়। কিছুবছৰ পিছত পুহকৰগিৰি পুনৰ

ফিৰি আছে আৰু দৈৱক্ৰমে তেওঁৰ পুত্ৰ লক্ষীকান্ত আতৈৰ লগত দেখা হয়। ১৫৮৩ চনত ৰোহিনীৰ লগত লক্ষীকান্ত আতৈৰ বিয়া হয়। কিছু বছৰ পিছত কাজ্‌লা লহকৰৰ জীয়াৰী অৰুন্ধতি আইকো লক্ষীকান্ত আতৈয়ে দ্বিতীয় ভাৰ্য্যাৰূপে বিয়া কৰায়। প্ৰথম ভাৰ্য্যাৰ পুৰুষোত্তম আৰু সনাতন আতাৰ জন্ম হয় আৰু দ্বিতীয় ভাৰ্য্যাৰ নৰোত্তম আৰু অনন্ত আতাৰ জন্ম হয়।

জন্মগত ভাবে লক্ষীকান্ত আতৈ শাক্তপন্থী লোক আছিল। এদিনাখন লক্ষীকান্ত আতৈ বেহা-বেপাৰৰ বাকী সাৰিবলৈ তাঁতীকুছিত থকা এক "জোলাকোচ" নামৰ লোকৰ ঘৰলৈ যায়। এওঁৰ ঘৰত এখন ৰত্নাৱলী শাস্ত্ৰ আছিল। বাকীৰ নামত এই শাস্ত্ৰখনিকেই তেওঁ লৈ আহে। এই শাস্ত্ৰখনি পঢ়াৰ পিছত লক্ষীকান্ত আতৈৰ মন একশৰণ বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হয় আৰু মহাপুৰুষ মাধৱদেৱৰ ওচৰলৈ গৈ একশৰণ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে। মাধৱদেৱৰ নিৰ্দেশতে ১৫৮৭ চনত হাজোলৈ আহি লক্ষীকান্ত আতৈ ধোপৰগুৰি সত্ৰত পূৱদিশৰ অধিকাৰ হিচাপে প্ৰতিষ্ঠিত হয়। (এই উদ্ধৃতি লক্ষীকান্ত আতৈৰ চৰিত্ত পুথিৰ পৰা দিয়া হৈছে।)

১৬৭৫ চনত সনাতন আতা বৰদধি গাঁৱত অৱস্থানৰ পিছৰে পৰা গাঁওখনৰ গৌৰৱময় যুগ আৰম্ভ হয়। সনাতন বুঢ়া কীৰ্ত্তন ঘৰত নিতৌ নাম-প্ৰসঙ্গ আৰু ভাগৱত চৰ্চ্চা হ'বলৈ ধৰিলে। গুৰুসকলৰ তিৰোভাব তিথিবোৰত নাম-প্ৰসঙ্গৰ উপৰিও যাত্ৰা-ভাওনাৰো আৰম্ভ হয়। এক শৰণ বৈষ্ণৱ-ধৰ্মৰ প্ৰতি মানুহৰ আকৰ্ষণ বাঢ়িল। ইত্যাদিক্ৰমে সেইসময়ত বৰদধি গাঁওখন অঞ্চলৰ ভিতৰতে এখন উল্লেখযোগ্য গাঁও হৈ উঠে। লক্ষীকান্ত আতৈয়ে তেওঁৰ পুত্ৰ সনাতন আতাৰ লগতে বৰদধি গাঁৱত থাকি ভাল পাইছিল। কথাগুৰু চৰিত পুথিত লক্ষীকান্ত আতৈ দধিৰ লক্ষীকান্ত আতৈ বুলিহে উল্লেখ আছে। এই চৰিত পুথিত আৰু উল্লেখ আছে যে ভাটৌকুছীয়া কেশৱ চৰণ আতৈয়ে একেৰাহে আঠদিন বৰদধি সত্ৰত জিৰণি লৈছিল। মহাপুৰুষ মাধৱদেৱ হাজোৰপৰা ভটিয়াই

যোৱাৰ সময়তো কেশৱচৰণ আতৈ, বদুলা আতৈ, জগন্নাথ চৰণ আতৈ, হৰি আতৈ, লো-গুটিৰ দামোদৰ আতৈ, কণ্ঠাৰী মাধৱচৰণ আতৈ আৰু ৰামভদ্ৰ আতৈয়ে দধিসত্ৰত লক্ষীকান্ত আতৈক লগ ধৰাৰ কথা-গুৰু চৰিত পুথিত উল্লেখ আছে। এইসকল সন্ত মহন্তৰ পদাৰ্পণ আৰু অৱস্থানে সেই সময়ৰ বৰদধি গাঁৱৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় দিশকে প্ৰতিফলিত কৰিছে। সেই সময়ত বৰদধি সনাতন বুঢ়া কীৰ্ত্তন ঘৰ সত্ৰখন শিক্ষাৰ এক পৰিপূৰক কেন্দ্ৰ হৈ উঠিছিল। আৰ্থিক দিশটো তেতিয়া গাঁওখন আছিল চহকী। ধান-চাউল, শাক-পাচলি, গাখীৰ, মাছ, তামোল-পান, নাৰিকল, বাঁহ-গছ আদিৰ একোৰে অভাৱ গাঁও-খনত নাছিল।

মহাপুৰুষ শংকৰদেৱৰ হাতৰ সোণৰ আঙঠি এটা মাধৱদেৱে, পিছত লক্ষীকান্ত আতৈ, তাৰ পিছত সনাতম আতাই পায়। এই আঙঠিটো "শ্ৰীআঙঠি", "গুৰুবিৎ" অথবা "গুৰু সৰ্বাহ" হিচাপেও মানুহে জানিছিল। এই গুৰুবিৎ দৰ্শনাৰ্থে অঞ্চল তথা ৰাজ্যৰ বিভিন্ন ঠাইৰপৰা শ শ মানুহ আহি গাঁওখনক লোকে লোকাৰণ্য কৰি তুলিছিল। ফলাকাঙ্খী লোকে ইয়াত কেঁচাভোগ ( গোপাল ভোগ ) দি মনোকামনা পূৰণ কৰিছিল। কেঁচা ভোগৰ সুগন্ধিয়ে অঞ্চলটোক আমোল-মোলাই তুলিছিল আৰু যিয়ে ইয়াৰ গোন্ধ পাইছিল, সেইসকলৰ মন ইয়াক পাকৰ কাৰণে উদ্‌বাউল হৈ পৰিছিল। দুৰ্ভাগ্যবশতঃ এই মূল্যবান সম্পদটি (গুৰুবিৎ) সনাতন আতাৰ বংশত হাত বাগৰি বাগৰি এই বংশৰে এজন অধিকাৰৰ দিনত ৯৭১ চনৰ পৰা নিখোজ হয়।

১৬৮০ চনৰ ভাদ মাহত হাজোৰ ধোপৰগুৰি সত্ৰৰ ধৰ্মাচাৰ্য্য লক্ষীকান্ত আতৈৰ বৈকুণ্ঠ-প্ৰয়াণ হয়। তিৰোভাব তিথিত বাৰিষা-কালৰ দুৰ্গম পথ অতিক্ৰম কৰি হাজোলৈ যাবলগীয়া হোৱাত শিষ্য-প্ৰশিষ্যসকলৰ নানা ব্যাঘাত ঘটিছিল। সেইগুণে পূৰ্বতে উল্লেখ কৰা বাৰজন বুঢ়াই গুৰুৰ ছয়মাহিলি তিথিটো ( এই তিথি মাঘ মাহৰ কৃষ্ণা একাদশী বা ভীষ্ম একাদশীত পৰে ) কেন্দ্ৰীয় ভাবে বৰদধি গাঁৱত পালন

কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্ত মৰ্মে ১৬৮৫ চনৰে পৰা আজিলৈ বৰদধি গাঁৱত এই তিথিসমূহ ৰাইজে সভা হিচাপে পালন কৰি আছে। এইখন সভাই "মাঘৰ সভা" হিচাপে জনাজাত। সভাৰ আৰম্ভণিৰে পৰা (অৰ্থাৎ ১৬৮৫ চনৰে পৰা) শুৱালকুছি, মৈহাটী দক্ষিণ শিংৰা গাঁৱৰ এক শৰণীয়া বৈষ্ণৱ ধৰ্মীয় লোকসকলে বৰদধি গাঁৱত উদ্‌যাপিত হোৱা এই সভাত যাৱতীয় সকলো সাহায্য আগবঢ়াইছিল। আনকি ৰামদিয়াৰ তেলীসকলেও সভাত প্ৰয়োজনীয় মিঠা তেল (আৰিয়া পোৰাৰ বাবে) যোগান ধৰিছিল। এই ব্যৱস্থা ইংৰাজী ১৯১৫ চনলৈকে চলিছিল। দুৰ্ভাগ্যবশতঃ ১৯১৫ চনত গাঁওখন বিভাজন ঘটি দলাদলি হয় আৰু ইয়াৰ পিছৰে পৰা গাওঁখনত ৫/১০ খনকৈও এই সভা হবলৈ ধৰে। ফলস্বৰূপে শুৱালকুছি আদি গাঁৱৰ পৰা পোৱা সহযোগ বন্ধ হৈ যায়।

ইতিমধ্যে বৰদধি গাঁৱৰ দুৰ্দিনৰ অন্ত পৰে। সমাজকৰ্মী আৰু মুক্তিযোদ্ধা স্বৰ্গীয় নিধিৰাম দাসে অশেষ চেষ্টা কৰি ৫/১০ খন সভাৰ পৰিবৰ্ত্তে মাত্ৰ এখন সভা কৰিবলৈ সমৰ্থ হয়। সেইদিন ধৰি আজিলৈ বৰদধিত মাত্ৰ এখনকৈয়ে মাঘৰ সভা উদ্‌যাপিত হৈ আছে। কিন্তু পূৰ্বৰ অৱস্থা ঘূৰি নাহিল। অৰ্থাৎ শুৱালকুছি, মৈহাটী-দক্ষিণ শিংৰা আৰু ৰামদিয়া গাঁৱৰ পৰা পোৱা সহযোগ ১৯১৫ চনৰে পৰা বন্ধ হৈ যায়।

সেই সময়ত অঞ্চলৰ কোনো গাঁৱতে কোনো ধৰণৰ সভা-মহোৎসৱ হোৱাৰ কথা জনা নাযায়। গতিকে বৰদধি সভালৈ অঞ্চলৰ মানুহে দলে দলে আহি যোগদান দিছিল। এই সভাত ঢুলীয়া, খুলীয়া আৰু যাত্ৰা-ভাওনা চাই মানুহে আনন্দ লাভ কৰিছিল।

সনাতন আতাৰ বৰদধি গাঁৱত অৱস্থানৰ পিছত গাঁওখনত এক-শৰণ বৈষ্ণৱ ধৰ্মৰ চৰ্চা আৰু প্ৰচাৰ বৃদ্ধি হবলৈ ধৰে। নিতৌ পুৱা-গধূলি সনাতন আতাই ভাগৱত পাঠ কৰে আৰু ভক্তসকলে শুনে আনকি বনৰ হৰিণ পোৱালি এটি আহিও ভাগৱত শুনি সনাতন আতাৰ আশ্ৰয় গ্ৰহণ কৰিছিল।

লক্ষীকান্ত আতৈৰ চাৰিজন পুত্ৰৰ সনাতন আতা বৰদধি গাঁওলৈ অহাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। বৰজন পুত্ৰ পুৰুষোত্তম আতা অভয়পুৰ গাঁওলৈ আহি সত্ৰ নিৰ্মাণ কৰি থাকে। চতুৰ্থজন পুত্ৰ অনন্ত আতা শুৱালকুছিলৈ গৈ সত্ৰ নিৰ্মাণ কৰি ধৰ্ম প্ৰচাৰ কৰিবলৈ লয়। তৃতীয়জন পুত্ৰ নৰোত্তম আতা ধোপৰগুৰি সত্ৰত থাকে। নৰোত্তম আতাৰ চাৰিজন পুত্ৰ। তেওঁলোক হ'ল—ভৱদেউ, ভৱকণ্ঠ, সৰ্বানন্দ আৰু সুন্দৰ। এওঁলোকৰ অকল ভৱদেউহে ধোপৰগুৰি সত্ৰত থাকে। আন তিনিজনৰ ভৱকণ্ঠ ন-বুৰ্কা গাঁওলৈ আৰু সৰ্বানন্দ আৰু সুন্দৰ হাজোৰ পটেনি গাঁৱত সত্ৰ নিৰ্মাণ কৰি থাকিবলৈ লয়।

ইতিমধ্যে সনাতন আতাই বৰদধি গাঁৱৰ বটাতোলীয়া কোনো পৰিয়ালৰ আচৰণত অসন্তুষ্ট হৈ তেওঁলোকৰ লগত যোগাযোগ ত্যাগ কৰে বুলি কোৱা হয়। ফলত তেওঁলোকে পটেনিৰপৰা সুন্দৰক বৰদধি গাঁৱলৈ আনি সত্ৰ নিৰ্মাণ কৰি দিয়ে। কেইবছৰমান পিছত বটাতোলীয়া পৰিয়াল কেইঘৰৰ মাজতে বিভাজন হয়। তেওঁলোকৰ এটা অংশই পটেনিৰ পৰা সৰ্বানন্দকো বৰদধিলৈ আনি সত্ৰ নিৰ্মাণ কৰি দিয়ে। এইদৰে বৰদধি গাঁৱত তিনিখন সত্ৰ নিৰ্মাণ হয়।

সনাতন আতাৰ পুত্ৰ ৰূপ নাৰায়ণ। ৰূপ নাৰায়ণৰ পুত্ৰ তিনিজন, যথা— ধৰ্ম নাৰায়ণ, স্বৰূপানন্দ আৰু জগতপতি। বৰপুত্ৰ ধৰ্ম নাৰায়ণ আছিল বৰদধি সনাতন বুঢ়া কীৰ্ত্তনঘৰ সত্ৰৰ সত্ৰাধিকাৰ। এওঁৰ কাৰ্য্যকালতে আহোম ৰজা শিৱসিংহই বুঢ়া কীৰ্ত্তনঘৰ সত্ৰৰ নামত ৬৪ বিঘা জমী সত্ৰ পৰিচালনাৰ বাবে দান দিয়ে। এই দান দিয়া জমীৰ নথিপত্ৰ এতিয়াও আছে। ৰজা শিৱ সিংহৰ ৰাজত্বকাল ১৭১৪-৪৪ খ্ৰীষ্টাব্দ। লেখকৰ পূৰ্ব প্ৰকাশিত "বৰদধি গাওঁৰ চমু ইতিবৃত্ত" আৰু "দমদমা অঞ্চলৰ চমু ইতিহাস"ত সত্ৰৰ নামৰ এই জমী দাতা হিচাপে ভুলতে ৰজ দুৰ্ল্লভ নাৰায়ণৰ নাম প্ৰকাশিত হৈছে। বৰ্ত্তমান সত্ৰৰ ভোগ-দখলত মাত্ৰ ৫ বিঘামান জমীহে আছে। বাকী জমী সনাতন আতাৰ বংশধৰসকলে ভাগ-বাটোৱাৰা কৰি লৈ ভোগ-দখল কৰি আছে।

শ্ৰীলক্ষীকান্ত আতৈৰ বৰপুত্ৰ পুৰুষোত্তম আতাই অভয়পুৰ গাঁৱত সত্ৰ নিৰ্মাণ কৰি ধৰ্ম প্ৰচাৰ কৰাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। এওঁৰ পুত্ৰ পদ্ম আতা। পদ্ম আতাৰ পুত্ৰ সৰ্বানন্দ। সৰ্বানন্দৰ কোনো বংশ নাথাকিল। এওঁৰ বিধবাই সত্ৰখন পৰিচালনাৰ বাবে বৰদধি গাওঁৰ পৰা সনাতন আতাৰ বংশধৰ বিষ্ণুপদক পালিত পুত্ৰ হিচাপে ৰাখি সত্ৰ পৰিচালনা কৰে। ইয়াৰ কিছুবছৰ পিছত বিধবাজনীৰ মৃত্যু হয়।

১৮৯৭ চনৰ ভূমিকম্পাই সত্ৰখন ভাঙি-চিঙি পেলায়। তেতিয়া বিষ্ণুপদে এই সত্ৰখন বৰদধি গাঁৱতে প্ৰতিষ্টা কৰে। বৰদধি গাঁৱত এইখন সত্ৰ এতিয়াও অভয়পুৰীয়া সত্ৰ হিচাপে জনাজাত হৈ আছে। লক্ষীকান্ত আতৈৰ ভোজনৰ বৰপীৰাখন "গুৰুবিৎ" হিচাপে পুৰুষোত্তম আতাই পাইছিল ; কিন্তু ১৮৯৭ চনৰ ভূমিকম্পৰ ধ্বংসলীলাৰ ফলত এই গুৰুবিৎ নিখোজ হয়। আহোম ৰজা শিৱ সিংহই এই সত্ৰৰ নামটো প্ৰায় ৩০ বিঘা জমী দান দিছিল। এই জমী বিষ্ণুপদৰ বংশধৰ-সকলে এতিয়াও ভোগ-দখল কৰি আছে।

সুন্দৰ আৰু সৰ্বানন্দ বৰদধি গাঁৱলৈ অহাৰ পিছতো পটেনি গাঁৱত এওঁলোকৰ বংশধৰ আছিল। ১৮৯৭ চনৰ ভূমিকম্পৰ পিছত এওঁলোকৰ বংশৰ শেষজন "সৃষ্টিকান্ত মহন্ত" শিষ্য-প্ৰশিষ্য সহিতে বৰদধি গাঁৱলৈ আহে আৰু সত্ৰ নিৰ্মাণ কৰি বসবাস কৰিবলৈ লয়।

বৰদধি গাঁৱৰ সমূহ ৰাইজ আৰম্ভণিৰে পৰা (১৬৭৫ চন) সনাতন বুঢ়া কীৰ্ত্তনঘৰ সত্ৰতে আছিল ১৮৯০ চনত সনাতন আতাৰ বংশধৰৰ লগত ৰাইজৰ বিভাজন আহে। ফলত সমূহ ৰাইজে নিজা উদ্যোগত এটি কীৰ্ত্তন ঘৰ নিৰ্মাণ কৰে। ইয়াৰ নামকৰণ কৰে "বৰদধি গঞা কীৰ্ত্তন ঘৰ সত্ৰ" হিচাপে। ১৮৯৭ চনৰ ভূমিকম্পত এই কীৰ্ত্তন ঘৰটো ভাঙি যায়। ৰাইজৰ কিছু অংশই পুনৰ বৰদধি সনাতন বুঢ়া কীৰ্ত্তন ঘৰ সত্ৰতে যোগদান দিয়ে। কিছুমানে যোগদান নিদিলে।

এইদৰে ১৯১৫ চনলৈ চলে। উভয়ৰ মাজত পুনৰ সংঘাতৰ সৃষ্টি হয়। এইবাৰৰ সংঘাতে স্থায়ী ৰূপ ধাৰণ কৰে। ৰাইজ প্ৰতিজ্ঞাবদ্ধ

হৈ ১৯১৫ চনতে পুনৰ এটা কীৰ্ত্তন ঘৰ সাজে। নামকৰণ আগৰ দৰে "বৰদধি গঞ্জা কীৰ্ত্তন ঘৰ সত্ৰ" হিচাপে ৰাখে আৰু ইয়াৰ শলা-বল্লি আনে বৰপেটা সত্ৰৰ পৰা। ৰাইজৰ এই কীৰ্ত্তন ঘৰটো জহি-খহি যাবলৈ ধৰাত ১৯৭৬ চনত ইয়াক ৰাইজে পুনৰনিৰ্মাণ কৰে আৰু ইয়াৰ নামকৰণ কৰে "বৰদধি শ্ৰীশ্ৰীশংকৰদেৱ সনাতন কীৰ্ত্তনঘৰ সত্ৰ" হিচাপে। উল্লেখযোগ্য যে এই সত্ৰৰ গুৰু আসনত এটি কৃষ্ণৰ কাঠৰ প্ৰতিমূৰ্ত্তি আছিল। শুৱালকুছিৰ ধীৰেণ চন্দ্ৰ দাসৰ (ভাগৱতী) দ্বাৰা ৰাইজৰ সন্মতিত এই প্ৰতিমূৰ্ত্তিটো ১৯৭২ চনত পানীত উটুৱাই দিয়া হয়। তেতিয়াৰে পৰা গুৰু আসনত মাত্ৰ ভাগৱত শাস্ত্ৰহে থাকে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অন্যতম ধৰ্মাচাৰ্য্য নাৰায়ণ দাস ঠাকুৰ আতাৰ বংশৰ "অশ্ৰদ্ধি মহন্ত" ১৯৩৪ চনত ৰঙাপানী গাঁৱৰ পৰা আহি বৰদধি গাঁৱৰ বাসিন্দা হয় আৰু এখন সত্ৰ নিৰ্মাণ কৰে। এই সত্ৰ ঠাকুৰ আতাৰ সত্ৰ হিচাপে জনাজাত হয়।

জনসংখ্যা বৃদ্ধি হৈ অহাৰ ফলত [redacted] ভড়াটোল চুবুৰিৰ পৰিয়াল কেইঘৰে সুকীয়াকৈ কীৰ্ত্তন ঘৰ নিৰ্মাণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। গাঁওখনৰ সকলো ৰাইজৰ সহযোগত ১৯৮৪ চনত ভড়াটোল চুবুৰিত "শংকৰদেৱ কীৰ্ত্তন ঘৰ" নামেৰে এটি কীৰ্ত্তনঘৰ নিৰ্মাণ হৈ উঠে।

ওপৰত উল্লেখ কৰা সত্ৰ আৰু কীৰ্ত্তন ঘৰবোৰৰ উপৰিও ব্যক্তিগত ভাবে গাঁওখনত কেইবাটাও কীৰ্ত্তনঘৰ স্থাপিত হৈছে। এই সকলোবোৰ সত্ৰ তথা কীৰ্ত্তন ঘৰতে নিতৌ নাম-প্ৰসঙ্গ হয়। হৰি নামৰ ধ্বনিয়ে গাঁওখনক সজীৱ কৰি ৰাখিছে।

অতীতত ওচৰৰ গাওঁবোৰত কলেৰা, বসন্ত আদি ৰোগে মহামাৰী ৰূপ ধৰি 'শ' 'শ' লোকৰ মৃত্যু ঘটাইছিল। তেতিয়া বৰদধিৰ ৰাইজে ভোৰ-তাল লৈ নাম-কীৰ্ত্তন কৰি গোটেই গাওঁখন ৰজন-জনাই ৰাখিছিল। কেতিয়াবাহে গাওঁখনত ১/২ জন লোক এনে ৰোগত মৃত্যু বৰণ কৰিছিল।

গাঁওখনৰ আন এক বৈশিষ্ট্য আছিল যে বৰদধি সনাতন বুঢ়া কীৰ্ত্তন

ঘৰ সত্ৰৰ পৰা নিশা এটি বগা ঘোঁৰা ওলাই গাঁওখনক তহল দি ৰাখিছিল। এই ঘোঁৰাটো গাঁওখনৰ বহুত লোকেই দেখিছিল। ইয়াৰ উপৰিও এই কীৰ্ত্তন ঘৰত গধুলি প্ৰসঙ্গ কৰিলে কোনো সন্ত পুৰুষে পিছত বহি হাত চাপৰি বজায়। আজি ২/৩ বছৰ আগতে এই কীৰ্ত্তন ঘৰৰ পাঠক কন্দৰ্প কুমাৰ মহন্তই গধুলি নাম-প্ৰসঙ্গ কৰি থাকোতে এনে দৃশ্য দেখি তেওঁ ভয় খাই মুৰ্চ্চা যোৱা যেন হৈছিল।

বৰদধি গাঁৱত ৮ জনতকৈও অধিক মুক্তিযুঁজাৰুৰ জন্ম হৈছে। অসম আন্দোলনত ৩/৪ জনতকৈও অধিক ব্যক্তি নিৰ্য্যাতিত হোৱাৰ উপৰিও ২ জন শ্বহীদ হৈছে। জনসাধাৰণৰ সেৱা আগবঢ়োৱাৰ বাবে বিধায়কৰ জন্ম হৈছে। সাহিত্য সৃষ্টি কৰি সাহিত্যিক পেঞ্চন পাবৰ যোগ্য ব্যক্তি ওলাইছে। সন্ত-মহন্ত আৰু বিদগ্ধ পণ্ডিতসকলৰ পদাৰ্পণত গাঁওখন গৌৰৱান্বিত হৈছে। অঞ্চলটোৰ প্ৰায়বোৰ অনুষ্ঠান-প্ৰতিষ্ঠানত বৰদধিৰ ৰাইজে অৰিহনা যোগাইছে। অনাতাঁৰ শিল্পী আছে। সংবাদিক-সাহিত্যিক আছে। কিন্তু নাই আৰ্থিক দিশত উন্নতি সাধন কৰিব পৰা ৰাজহুৱা সম্পদ আৰু প্ৰয়োজনীয় চৰকাৰী অনুদান। গাঁওখনত ৰাজহুৱা সম্পদ সৃষ্টি কৰিবপৰা যথেষ্ট সুবিধা আছে। চৰকাৰী সাহায্য বিনে এয়া সম্ভৱপৰ নহয়।

দধি, দধিক্ষীৰ, বৰদধি আৰু বৰদধি সত্ৰ একেখন গাঁও আৰু এই গাঁৱৰ থুলমূল ঐতিহাসিক পটভূমি ইমানেই।

# বৰদধি গাঁৱৰ ভৌগোলিক সীমা, বিভিন্ন চুবুৰি আৰু পথাৰৰ পৰিচয়

বৰদধি এখন সৰু ৰাজহ গাঁও। ক্ষুদ্ৰদধি আৰু শৰণীয়া গাওঁ দুখনো বৰদধি ৰাজহ গাঁৱৰ অন্তৰ্গত।

বৰদধি গাঁৱৰ পূৱে— কুলহাটী গাঁও; পশ্চিমে— বৰগাঁও ক্ষুদ্ৰদধি গাঁও আৰু অভয়পুৰ গাঁৱৰ খেতি-পথাৰ; উত্তৰে— মনাহকুছি গাঁও আৰু শৰণীয়া গাঁৱৰ খেতি-পথাৰ আৰু দক্ষিণে— কুলহাটী গাঁৱৰ বিস্তীৰ্ণ খেতি পথাৰ। বৰদধি গাঁওৰ মাটিকালিৰ পৰিমাণ হৈছে— ১৮২৩ বিঘা আৰু জনসংখ্যা হৈছে— ১৯২১ জন।

বৰদধি গাঁও কেইবাটাও চুবুৰিত বিভক্ত, যথা—

**ভড়াটোল:** বৰদধি গাঁওৰ পূৱ খণ্ডত ভড়াটোল চুবুৰি অৱস্থিত। অতি কম ঠাইতে কঠালৰ কোঁহৰ দৰে অধিক লোকৰ বাসস্থান আছিল বাবে চুবুৰিটোৰ নাম ভড়াটোল হিচাপে জনাজাত হয়। বৰ্ত্তমান এই চুবৰিত ঘন বসতি নাই। প্ৰায়বোৰ পৰিয়াল পূৱবংশৰ মৌজাৰ কিচ্‌মৎ বংশৰ গাঁওলৈ উঠি গৈছে।

**বটাটোল:** ভড়াটোলৰ পশ্চিম খণ্ডই বটাটোল। কোনোবা 'বটা' নামৰ মানুহৰ নাম অনুসৰি চুবুৰিটোৰ নাম বটাটোল হোৱা বুলি জনা যায়।

**পটেনি চুবুৰি:** বটাটোলৰ পশ্চিম খণ্ডই পটেনি চুবুৰি। হাজোৰ ওচৰৰ পটেনি গাঁৱৰ পৰা নৰোত্তম আতাৰ পুত্ৰ সুন্দৰ আৰু সৰ্বানন্দ আহি এই ঠাইত সত্ৰ নিৰ্মাণ কৰি বসবাস কৰাৰ বাবে ঠাই-খিনিক পটেনি চুবুৰি হিচাপে জনাজাত হয়।

**মাজটোল:** পটেনি চুবুৰিৰ পশ্চিম খণ্ডক মাজটোল হিচাপে জনা যায়। গাঁওখনৰ মাজতে অৱস্থিত চুবুৰি বাবেও মাজটোল হয়।

**বহল চুবুৰি ঃ** মাজটোলৰ আঠুভঙাকৈ থকা উত্তৰৰ খণ্ডই বহল চুবুৰি। কোনোবা 'বহল' নামৰ মানুহৰ নাম অনুসৰি চুবুৰিটোৰ নাম "বহল চুবুৰি" হোৱা বুলি জনা যায়।

**সিটোলা ঃ** বহল চুবুৰিৰ পশ্চিম খণ্ডই সিটোলা চুবুৰি। আন কোনো নাম বিচাৰি নাপাই চুবুৰিটোৰ নাম সিটোলা হিচাপে ৰাখে।

**পটোৱা টোল ঃ** সিটোলাৰ পশ্চিম খণ্ডই পটোৱাটোল। এই চুবুৰিটো পটোৱা সম্প্ৰদায়ৰ লোকৰ বাসস্থান।

**ব্ৰাহ্মণবড়ী বা বামুণবড়ী ঃ** এই চুবুৰিটো গাঁওখনৰ পশ্চিমত থকা পটোৱাটোল চুবুৰিৰ লগালগি। এই ঠাইখিনি হেনো কোনোবা ব্ৰাহ্মণ লোকৰ জমী আছিল।

**আলিকাষ ঃ** গাঁওখনৰ উত্তৰ-পশ্চিম আৰু হাজো-গুৱাহাটী চৰকাৰী পথৰ দক্ষিণত মানুহে বসবাস কৰা ঠাইখিনিক আলিকাষ হিচাপে জনা যায়।

বৰদধি গাঁৱৰ এই চুবুৰিবোৰ থকা ঠাইখিনি যেন এটা "তাৰিহে"। কুলহাটী গাওঁৰ ধনেশ্বৰী পাহাৰৰ পৰা আৰম্ভ কৰি হাজোৰ শিলাদাৰ পাহাৰলৈ আগুৰি থকা এই "তাৰিডাল" এডাল ৰাজহাড় স্বৰূপ। অতীজৰে পৰা আজিলৈ কোনো কালতে এই তাৰিদাল অথবা ৰাজহাৰ-দাল বানপানীত তল যোৱা নাই।

বৰদধি গাঁৱৰ খেতি-পথাৰবোৰৰ পৰিচয় :—

**দ'লৰ পথাৰ ঃ** গাঁওখনৰ উত্তৰৰ তথা হাজো-গুৱাহাটী চৰকাৰী পথৰ উত্তৰত থকা পথাৰখনেই দ'লৰ পথাৰ। প্ৰাচীন কালত এই পথাৰতেই বৰদধি গাঁৱৰ ৰাইজে শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা উদ্‌যাপন কৰিছিল। গাঁৱত উদ্ভৱ হোৱা খেলি-মেলিৰ ফলত ১৯১৫ পৰা এই উৎসৱ পালন বন্ধ হৈ যায়। সেই কালৰেপৰা এই পথাৰৰ মধ্যভাগত দৌল নামৰ এটি "টীপ" এতিয়াও আছে। এই দৌল নামৰ টীপটোৱে

এই গাঁৱৰ দৌল উৎসৱৰ স্মৃতি আজিও জীয়াই ৰাখিছে। ইয়াক স্থায়ীভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰা উচিত।

বাৰিষা কালত এই পথাৰখন প্ৰায়েই পানীৰ তলত থাকে আৰু ইয়াত দল-ঘাঁহৰ উৎপত্তি হয়। সেইগুণে এই পথাৰখনৰ নাম দ'লৰ পথাৰ হোৱা বুলিও জনা যায়। ইয়াৰ উপৰিও ইয়াত বৰকৈ কেঁহেৰু বনো জন্ম হয়। কেঁহেৰু বন ঢাৰী-পাটী বনোৱাৰ এক কেঁচা সামগ্ৰী। কমলাজানী অঞ্চলৰ কিছু মুছলমান লোকে এইবোৰ কাটি নি ব্যৱসায় কৰি আছে। এতিয়া এই পথাৰৰ দক্ষিণত অৰ্থাৎ হাজো-গুৱাহাটী চৰকাৰী পথৰ উত্তৰৰ দাঁতিয়ে দাঁতিয়ে মানুহে ঘৰ-বস্তি কৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ ফলত এই পথাৰৰ জমীৰ মূল্য কল্পনাতীত ভাৱে বৃদ্ধি পাব ধৰিছে। এই পথাৰ বাঁওধান খেতিৰ বাবে উপযোগী।

**ভিতৰভুঁই:** গাঁওখনৰ উত্তৰ আৰু হাজো-গুৱাহাটী পথৰ দক্ষিণত থকা ঠাইখিনিক ভিতৰভুঁই হিচাপে জনা যায়। ইয়াতো চৰকাৰী পথৰ দাঁতিয়ে দাঁতিয়ে মানুহে ঘৰ-বস্তি কৰিবলৈ আৰম্ভ কৰিছে। উল্লেখযোগ্য যে দমদমা মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ কাৰণে ১৯৭৮ চনত বৰদধি গাওঁৰ ৰাইজে ( অৰ্থাৎ ইয়াত থকা জমীৰ পট্টাদাৰসকলৰ লিখিত সন্মতি ক্ৰমে) মহাবিদ্যালয়ৰ বাবে প্ৰায় ৪৫ বিঘামান জমী দান দিবলৈ প্ৰস্তাৱ দিছিল। পিছত কুলহাটী গাঁৱৰ ৰাইজে তেওঁলোকৰ এলেকাৰ যোগী-ডোভাত থকা ৪৫ বিঘা জমী (খাচ্ মাটি) মহাবিদ্যালয়ৰ নামত দিয়াত বৰদধি গাওঁৰ প্ৰস্তাৱ বিবেচিত নহ'ল। ভিতৰভুঁইৰ জমী শালি আৰু আইজুং ধানৰ কাৰণে অতি উৎকৃষ্ট আছিল।

**বৰাতলি পথাৰ:** হাজো-গুৱাহাটী চৰকাৰী পথৰ দক্ষিণত আৰু আলিকাষ চুবুৰিৰ পূৱত থকা ঠাইখিনিয়ে বৰাতলি পথাৰ। ইয়াত কোনো খেতি-বাতি নহৈছিল। এই পথাৰত এবিধ এনে বস্তু জন্ম হৈছিল, যাক বনৰীয়া বৰা-গাহৰিয়ে খাবলৈ মাটিবোৰ উলট-পালট কৰি পেলাইছিল। এই কাৰণতে ইয়াক বৰাতলি পথাৰ হিচাপে জনা যায়। বৰ্ত্তমান এই ঠাইতো মানুহে ঘৰ-বস্তি কৰিছে আৰু গাওঁখনৰ কেইবাখনো

স্কুল. যথা— বৰদধি বালিকা প্ৰাথমিক বিদ্যালয়, বৰদধি শংকৰদেৱ বালিকা বিদ্যাপীঠ (M. E.), বৰদধি শংকৰদেৱ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, পাঁচগাওঁ হিন্দী বিদ্যালয় আৰু বৰদধি বালোৱাদী কেন্দ্ৰ ইয়াত প্ৰতিষ্ঠিত হৈছে।

**সিবৰি আৰু দিয়াৰবৰি:** গাঁওখনৰ দক্ষিণৰ নিচেই দাঁতিতে লাগি থকা পথাৰৰ পূব অংশক সিবৰি আৰু পশ্চিমৰ অংশক দিয়াৰবৰি হিচাপে জনা যায়। সিবৰিৰ মাজখণ্ডত "সভাৰ খলা" আৰু পশ্চিমত "মাঘৰ ফুট" নামৰ দুখন ঠাই আছে। অতীজত সভাৰ খলা নামৰ ঠাইতে বৰদধি গাওঁৰ "মাঘৰ সভাখন" অনুষ্ঠিত হৈছিল। ১৮৯৭ চনৰ ভূমিকম্পৰ পিছত মাঘৰ সভাখন বৰ্ত্তমানৰ স্থানলৈ স্থানান্তৰিত হয়। আনপিনে মাঘৰ ফুট হ'ল এটি দ' খাল। কোনোবা মাঘুৱা নামৰ লোকে খোৱা পানীৰ বাবে এই খাল খান্দিছিল। তেতিয়াৰ পৰা এই ঠাই-খিনি "মাঘৰ ফুট" হিচাপে জনাজাত হয়। অৱশ্যে আজি-কালি ই বহুত বাম হৈছে। সিবৰিত মানুহে কঠীয়া পাৰে আৰু ৰবি শস্যৰ খেতি কৰে আৰু দিয়াৰবৰিত বাওঁধান আৰু শালিধানৰ খেতি কৰে।

**ঘৰৰ ঢাপ:** ১৮৯২ চন মানত বান্দৰৰ উৎপাতত গাঁৱৰ পৰা কিছু পৰিয়াল আঁতৰি গৈ ঘৰৰ ঢাপ নামৰ ঠাইত বসতি কৰিবলৈ লৈছিল। ঠাইখিনি বালিচহীয়া আছিল। ১৮৯৭ চনৰ ভূমিকম্পই ঘৰ-দুৱাৰবোৰ ভাঙি পেলোৱাত আটাইবোৰ পৰিয়াল পুনৰ গাঁৱলৈ অৰ্থাৎ বৰ্ত্তমানৰ থকা ঠাইলৈ ঘূৰি আহে। তেতিয়াৰ পৰা ঠাইখিনি ঘৰৰ ঢাপ হিচাপে জনাজাত হয়। বৰ্ত্তমান ইয়াত শালি ধান আৰু আহু ধানৰ খেতি হয়। ৰবিশস্যও কৰিব পাৰি।

**কিৰাকাৰা পথাৰ:** ঘৰৰ ঢাপৰ পূব খণ্ডত কুলহাটী গাঁৱৰ সীমালৈকে থকা ঠাইখিনিক কিৰাকাৰা পথাৰ হিচাপে জনা যায়। এটা সময়ত এই জমীৰ স্বত্ব দখলৰ সন্দৰ্ভত সমস্যাৰ উদ্ভৱ হৈছিল। কিৰাকাৰা (ভগৱানৰ নামত শপত খোৱা) পদ্ধতিৰে সমস্যা সমাধান হোৱাৰ পিছত ঠাইখিনিৰ নাম কিৰাকাৰা পথাৰ হয়। ইয়াত আহুধান আৰু

শালি ধানৰ খেতি হয়।

**বিহিনাৰ দ':** ঘৰৰ ঢাপ আৰু দিয়াৰবৰি পথাৰৰ দক্ষিণৰ ঠাইখিনিয়ে বিহিনাৰ দ' হিচাপে জনা যায়। ইয়াত বাওঁ-ধানৰ খেতি হয়।

**বিহিনাৰ বৰি:** বিহিনাৰ দ'ৰ দক্ষিণৰ ওখ ঠাইখিনিয়ে বিহিনাৰ-বৰি। অতীজত ইয়াত বিৰিণা বন গজিছিল কাৰণে ঠাইখিনিৰ নাম বিহিনাৰ বৰি হয়। কালৰ সোঁতত মুখ বাগৰি ই বিহিনাৰ বৰি হিচাপে জনাজাত হয়। ইয়াত আহুধান আৰু শালিধানৰ খেতি হয়। বিহিনাৰ বৰিৰ পূৱখণ্ড কুলহাটী ৰাজহ গাওঁৰ অন্তৰ্গত।

**কেকোৰ জান আৰু পানীখাইটি পথাৰ:** বিহিনা বৰিৰ দক্ষিণত এই পথাৰ অৱস্থিত। ইয়াৰ মাজেৰে যোৱা এটি গো-বাটৰ পূৱখণ্ড কেকোজান আৰু পশ্চিম খণ্ড পানীখাইটি পথাৰ হিচাপে জনা যায়। অতি প্ৰাচীন কালত ব্ৰহ্মপুত্ৰৰ নদীৰ এটা বৃহৎ জান আজ্ঞাঠুৰি পাহাৰৰ পৰা আৰম্ভ কৰি কুলহাটী গাঁৱৰ ধনেশ্বৰী পাহাৰৰ পূৱেৰে হাজোৰ গৰুৰাচল পাহাৰলৈ বৈ গৈছিল। এয়াই আছিল ইতিহাসৰ "কাকেৰি সাগৰ"। কালত ই মুখবাগৰি কেকোজান নামেৰে জনাজাত হয়। কেকোজানৰ পশ্চিম খণ্ডই পানীখাইটি পথাৰ। পানীখাইটি পথাৰৰ পশ্চিমত পানীখাইটি বিল অৱস্থিত। এই বিল বৰদধি আৰু অভয়পুৰ গাঁৱৰ উমৈহতীয়া সম্পত্তি। এই বিলখনতে বৰদধি গাঁৱৰ কিছু কথা বিজৰিত হৈ আছে। কেকোৰজান আৰু পানীখাইটি পথাৰত বাওঁধানৰ খেতি হয়। বৰ্ত্তমান গাঁওখনৰ কিছু পৰিয়ালে ইয়াত বৈজ্ঞানিক পদ্ধতিৰে বড়োধান আৰু বাৰিবাৰ আগতে বিভিন্ন ধানৰ খেতি কৰি যথেষ্ট লাভবান হোৱা বুলি জনা যায়।

**চকুলাৰবৰি আৰু চকুলাৰ দ':** দিয়াৰবৰি পথাৰৰ পশ্চিমৰ বামখণ্ডক চকুলাৰবৰি, দ' খণ্ডক চকুলাৰ দ' হিচাপে জনা যায়। চকুলাৰবৰি ৰবি শস্যৰ বাবে উৎকৃষ্ট পথাৰ আৰু চকুলাৰ দ'ত বাওঁ-ধানৰ খেতি হয়।

COLLEGE

**বেজৰ জান :** এই জানটোৱে বৰদধি গাঁওখনক বিভক্ত কৰি দুভাগ কৰিছে। এই জান চক্‌লাৰ দ'ৰ পৰা বৈ গৈ উত্তৰে দ'লৰ পথাৰত শেষ হৈছে। বাৰিষা কালত ই সাগৰ সদৃশ হৈছিল। ইয়াৰ দুয়ো পাৰে বেত্তগছৰ জাবণি আছিল। এই বৰজানটো কালক্ৰমত মুখ বাগৰি বেজৰ জান হৈছে। এই জান এতিয়াও আছে; কিন্তু আগৰ দৰে ইয়াৰ পাৰত বেত্তগছৰ জাবণি নাই। বৰ্ত্তমান এই জানৰ ওপৰত কালভাৰ্ট বহুওৱা বাবে গাঁওখনৰ মানুহৰ যাতায়তৰ সুবিধা হৈছে।

**পদুম পুখুৰী :** এই পুখুৰী গাঁওখনৰ উত্তৰ-পশ্চিমত অৱস্থিত। ইতিহাস প্ৰসিদ্ধ আৰিমত্ত ৰজাই এই পুখুৰী খন্দোৱা বুলি জনা যায়। এটা সময়ত কোনো এজনী ছোৱালীয়ে পানী আনিবলৈ যাওঁতে এই পুখুৰীত পৰি তাইৰ মৃত্যু হয়। এই ঘটনাৰ পিছত মানুহে ইয়াৰ পানী খাবলৈ এৰি দিয়ে। পৰিত্যাক্ত অৱস্থাত পুখুৰীটোত পদুম ফুলৰ জন্ম হয়। সেই গুণে মানুহে ইয়াৰ নাম পদুম পুখুৰী হিচাপে ৰাখে। কালক্ৰমত ইয়াত পিটনি পৰে। বৰ্ত্তমান বৰদধিৰ ৰাইজে উদ্ধাৰ কৰি মাছ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। ইয়াৰ পূব পাৰত চৰকাৰে এটি উপ-স্বাস্থ্য কেন্দ্ৰ প্ৰতিষ্ঠা কৰিছে।

**উঁহ :** বৰদধি গাঁৱত আহোম ৰজাই কেইবাটাও পুখুৰী খন্দাইছিল। কেউটা পুখুৰীয়ে পিট পৰি মৰা কাৰণে এইবোৰক উঁহ নামেৰে জনা যায়। ইয়াৰে এটা উঁহ (পুখুৰী) উদ্ধাৰৰ বাবে বৰদধি সনাতন যুৱক সঙ্ঘৰ কৰ্মীসকলে বহুদিনৰে পৰা চেষ্টা কৰি আছে। এওঁলোকে এই পুখুৰী নামকৰণ কৰিছে—"ৰাধা পুখুৰী" হিচাপে। বৰদধি গাওঁত "ৰাধাৰাম দাস" নামেৰে এজন সমাজকৰ্মী লোক আছিল। তেওঁৰ নামটো জীয়াই ৰখাৰ উদ্দেশ্যে পুখুৰীটোৰ নাম "ৰাধা পুখুৰী" ৰাখে। ১৯৬৮ চনৰ ২২ ডিচেম্বৰত সমাজ কৰ্মী ৰাধাৰাম দাসৰ মৃত্যু হয়। বৰ্ত্তমান তেওঁৰ বংশৰ কোনো বৰদধি গাওঁত নাই।

**বৰপুখুৰী :** কুৰি শতিকাৰ আৰম্ভণিতে ইংৰাজ চৰকাৰে গাঁওখনৰ মানুহে পানী খোৱাৰ বাবে এই পুখুৰীটো বৰদধি গাঁৱৰ মধ্য-

ভাগতে খন্দাই দিয়ে। ইয়াৰ পানী খৰালি কালতো থাকে। ওচৰ চুবুৰিয়া গাওঁবোৰৰ মানুহেও সময়ত সেই পুখুৰীৰ পানী নি ব্যৱহাৰ কৰিছিল। জনস্বাস্থ্য বিভাগে গাঁৱে গাঁৱে দমকল আৰু নলী-নাদ যোগান ধৰাৰ পিছত মানুহে পুখুৰীৰ পানী খাবলৈ এৰি দিয়ে। এতিয়া বৰদধি ৰাইজে ইয়াত মাছ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে দম্‌দমাত "দম্‌দমা আঞ্চলিক বি. এড. কলেজ" নামেৰে ১৯৯৪ চনত এখন কালজ স্থাপন হয়। কলেজৰ কাৰণে মাটিৰ প্ৰয়োজন হোৱাত লগতে প্ৰয়োজনীয় মাটি চৰকাৰক দেখুৱাবলৈ বৰদধি ৰাইজে বৰ-পুখুৰীটোৰ পাৰকেইটা আৰু পুখুৰীটো ১৯৯৪ চনত বি. এড. কলেজৰ নামত দিবলৈ সন্মতি দিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট বিষয়াই আহিও ইয়াক পৰিদৰ্শন কৰিছিল। শেষত শৰণীয়া দম্‌দমাতে কলেজ কৰ্তৃপক্ষই সুবিধাজনক মাটি কিনি লৈ কলেজগৃহ নিৰ্মাণৰ ব্যৱস্থা কৰে। অৱশ্যে কলেজ কৰ্তৃপক্ষই বৰদধি গাঁৱৰ বদান্যতাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

ওপৰত উল্লেখ কৰা জমীবোৰৰ উপৰিও বৰদধি গাঁৱৰ অনেক লোকৰ জমী ফুলহাটী আৰু অভয়পুৰ গাঁৱৰ অন্তৰ্গত হিদালগুৰি, তপাৰবৰি আদি পথাৰত আৰু পূৰ্ব-বংশৰ মৌজাৰ ১ নং কিচ্‌মৎ বংশৰ গাঁৱতো আছে। এইবোৰ জমীত আলু, বাওঁ, শালিধান, মৰাপাট, কুঁহিয়াৰ আৰু সকলোধৰণৰ ৰবিশস্য উৎপাদন হয়। অৱশ্যে এতিয়া শিয়ালৰ অত্যাচাৰ আৰু বানপানীৰ উৎপাতৰ বাবে মানুহে কুঁহিয়াৰৰ খেতি কৰিবলৈ প্ৰায় এৰি দিছে।

## বৰদধি গাঁৱৰ স্থায়ী বাসিন্দাসকলৰ পৰিচয়

ইতিহাসৰ পৰা জনা যায় যে— অসমৰ প্ৰায়বোৰ গাঁও প্ৰব্ৰজনৰ জৰিয়তে সৃষ্টি হৈছে। কোনোবা আগতে আহিছে আৰু কোনোবা কিছু পিছত আহিছে। তেনেদৰে অহা-যোৱাৰ ধাৰাবাহিকতাৰ পৰিবৰ্ত্তন হোৱা নাই।

বৰদধি গাঁৱৰ আদিবাসীসকল বৈদিক যুগতে অহা আৰ্য্যসকলৰ বংশধৰ বুলি জনা যায়। এওঁলোক হৈছে বৰদধি গাঁৱৰ প্ৰায়বোৰ কলিতা আৰু মালীসকল। আৰম্ভণিতে উল্লেখ কৰা দধি গাঁৱৰ উৎপত্তিৰ কিম্বদন্তিৰপৰা এইকথা জানিব পাৰি। কিছুকাল পিছত বৰদধি গাঁৱলৈ অহা পৰিয়াল হ'ল—বনিয়াসকল। এওঁলোক "হাৰি সম্প্ৰদায়ৰ" লোক। এডোৱাৰ্ড গেইট চাহাবৰ "A History of Assam" নামৰ বুৰঞ্জীৰ ১৪২ পৃষ্ঠাত উল্লেখ আছে যে— এওঁলোকে অতীজত জাৰু দিয়া বৃত্তি অবলম্বন কৰিছিল। পিছৰ কালত এওঁলোকে এই বৃত্তি পৰিহাৰ কৰি সোণৰ অলঙ্কাৰ বনোৱা কাম কৰিবলৈ লয়। সেই গুণে এওঁলোকক সোণাৰী হিচাপেও জনা যায়।

### কলিতাসকলৰ পৰিচয়

(১) বৰদধি গাঁৱৰ মাজটোলত থকা "নাৰদ বুঢ়াৰ" বংশৰ ২২ ঘৰ পৰিয়াল আৰু বুটা কলিতাৰ বংশৰ ৬ ঘৰ পৰিয়াল।

(২) বৰদধি গাঁৱৰ বটাটোল চুবুৰিত থকা অভিচিন্তামণিৰ বংশৰ ১৩ ঘৰ পৰিয়াল।

(৩) সিটোলাত থকা পানুমল কলিতাৰ বংশৰ ১৪ ঘৰ পৰিয়াল।

### মালীসকলৰ পৰিচয়

(১) বৰদধি গাঁৱৰ ভড়াটোল চুবুৰিত থকা লঠেৰা মালীৰ বংশৰ ১১ ঘৰ পৰিয়াল আৰু চন্দ্ৰ মালীহঁতৰ বংশৰ ৪ ঘৰ পৰিয়াল।

(২) পাটেনি চুবুৰিত থকা গোলোমা মালীৰ বংশৰ ৩ ঘৰ পৰিয়াল।

(৩) সিটোলাত থকা ৰঘু ঠাকুৰীয়াৰ বংশৰ ১৪ ঘৰ পৰিয়াল আৰু হৰিধন মালীৰ বংশৰ ১০ ঘৰ পৰিয়াল।

(৪) বৰদধি গাঁৱৰ বহল চুবুৰীত থকা হৰিভকত মালীৰ বংশৰ ২৬ ঘৰ পৰিয়াল।

(৫) বৰদধি গাঁৱৰ বামুণবড়ী চুবুৰিত থকা বগাথাম্বু মালীহঁতৰ বংশৰ ২ ঘৰ পৰিয়াল।

## বনিয়াসকলৰ পৰিচয়

কলিতা আৰু মালীৰ পিছতে আছে বনিয়াসকল। বৰ্ত্তমান বৰদধি গাঁৱত এওঁলোকৰ ৯ ঘৰ পৰিয়াল আছে।

কিছু বছৰ আগলৈকে এই বনিয়া সম্প্ৰদায়ৰ লোকসকল সমাজৰ অস্পৃশ্য হৈ আছিল। ১৯৮১ চনৰ পৰাহে বৰদধি গাঁৱত অস্পৃশ্যতা দূৰীকৰণ কৰা হয় আৰু তেওঁলোকক সমাজভুক্ত কৰা হয়। এতিয়া বৰদধি গাঁৱত অস্পৃশ্যতাৰ নাম-গোন্ধেই নাই। গাঁওখনত বিভিন্ন সম্প্ৰদায়ৰ লোক আছে যদিও সাম্প্ৰদায়িকতাৰ ভাব নাই।

সৰ্বমুঠ বৰদধি গাঁৱৰ আদিম অধিবাসীসকল হ'ল এনেধৰণৰ—

| | | |
|---|---|---|
| (১) | কলিতা— | ৫৫ ঘৰ |
| (২) | মালী— | ৭০ " |
| (৩) | বনিয়া— | ৯ " |
| | মুঠ— | ১৩৪ ঘৰ |

বৰদধি গাঁৱৰ আদিম অধিবাসীসকলৰ অনেক পৰিয়াল পূব-বংশৰ মৌজাৰ ১নং কিচমত বংশৰ গাঁও, গান্ধীবাড়ী, লটিবাড়ী, গুৱাহাটী, মালয়বাড়ী আদি গাঁৱলৈ উঠি গৈছে। এইসকল লোক উঠি যোৱাৰ পিছত বৰদধি গাঁৱত বৰ্ত্তমান ১৩৪ ঘৰ পৰিয়াল আছে।

# বৰদধি গাঁৱৰ পটোৱা সম্প্ৰদায়ৰ লোকৰ পৰিচয়

বৰদধি গাঁৱত পটোৱা সম্প্ৰদায়ৰ অনেক পৰিয়াল আছে। এওঁলোকে গাঁওখনৰ পশ্চিম খণ্ডত বাস কৰে। পটোৱা জাতিৰ বিষয়ে "Census of Assam, 1901, Volume one at Page 142 ত" উল্লেখ আছে এনেধৰণে—

Patia (A) : An Assamese Caste which is practically confined in the District of Nowgong where they are said to rank immediately above the Halwa Keot. Elsewhere, they would be placed below that caste. The original occupation was mat-making ; but they are said to have abondoned it for Agriculture.

Patwa : Maker of Silk strings and fringes, 706 were Censused in Kamrup.

এইটো জনা যায় যে এওঁলোক পাটনি সম্প্ৰদায়ভুক্ত অনুসূচীত জাতি হিচাপে বৃত্তি অনুদান আৰু আন আন সুবিধা উপভোগ কৰি আছে। সি যিকি নহওঁক, এওঁলোক বৰদধি গাওঁৰ বাসিন্দা। বৰ্ত্তমান এওঁলোক দামোদৰীয়া লোক হিচাপে চলি আছে। বৰদধি গাওঁত এওঁলোকৰ ৫২ ঘৰ পৰিয়াল।

বৰদধি ৰাজহ গাঁৱৰ অন্তৰ্গত ক্ষুদ্ৰদধি গাঁওতো পটোৱা সম্প্ৰদায়ৰ লোক আছে। বৰদধি আৰু ক্ষুদ্ৰদধি গাঁৱৰ পটোৱাসকলৰ এখন সমাজ। দেশৰ স্বাধীনতাৰ আগলৈকে এওঁলোকৰ অৱস্থা অতি শোচনীয় আছিল। স্বাধীনতাৰ পিছৰে পৰা এওঁলোকৰ অৱস্থা উন্নত হ'বলৈ আৰম্ভ কৰে। বৰদধি গাঁৱত এওঁলোকৰ উচ্চ শিক্ষিত লোকৰ সংখ্যা মাত্ৰ ৬ জন।

চাকৰি কৰা লোকৰ সংখ্যা বৰ্ত্তমান বাঢ়িছে। এওঁলোক খেতিৰ কামত অতি পৰিশ্ৰমী। এওঁলোকৰ বহুতৰে পুৰ-বংশৰ মৌজাৰ কিচ্‌মত বংশৰ গাওঁত কৃষিৰ জমী আছে। এওঁলোকৰ কিছু পৰিয়াল নগাওঁ জিলাৰ মালয়বাৰী গাঁও আৰু কামৰূপ জিলাৰ গান্ধীবাৰী আদি ঠাইলৈ উঠি গৈছে। তেনেদৰে গোৱালপাৰা জিলাৰ পৰা কেইবাজনো লোক আহি ইয়াৰে বাসিন্দা হৈছে।

বৰদধি আৰু ক্ষুদ্ৰদধিৰ পটোৱা লোকসকলে উমৈহতীয়া ভাবে হাজো-গুৱাহাটী চৰকাৰী পথৰ দক্ষিণফালে এটা মন্দিৰ নিৰ্মাণ কৰিছে। ইয়াতেই তেওঁলোকে বিভিন্ন উৎসৱ পালন কৰে। আয়তীসকলেও ইয়াত নাম-প্ৰসঙ্গ কৰে।

পাঁচগাঁও ৰাইজৰ লগত এওঁলোকে মনসা পূজাটো যোগদান দিয়ে। কিছু বছৰৰ পৰা মাঘৰ মাহত এওঁলোকে এখন সভা অনুষ্ঠিত কৰি আহিছে।

বৰদধি গাঁৱৰ মহাপুৰুষীয়া সমাজখনৰ লগত এওঁলোক জড়িত নহয়; কিন্তু উভয়ৰে মাজত মিলা-প্ৰীতিৰ ভাব ক্ৰমান্বয়ে বৃদ্ধি পাইছে। বৰদধি শংকৰদেৱ ছোৱালী হাইস্কুলখন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এওঁলোকৰ যথেষ্ট অৱদান আছে।

# পৰবৰ্ত্তী কালত বৰদধি গাঁৱৰ পৰা উঠি যোৱা আৰু বৰদধি গাঁৱলৈ উঠি অহা পৰিয়ালৰ পৰিচয়

বৰদধি এখন দক্ষ ৰাজহ গাঁও। ইয়াৰ মাটি কালিৰ পৰিমাণ মাত্ৰ ১৮২৩ বিঘা। ই এখন কৃষিপ্ৰধান গাঁও, জনসংখ্যা বৃদ্ধি, বানপানীৰ তাণ্ডৱলীলা আৰু খৰাং বতৰে কৃষকৰ অৱস্থা শোচনীয় কৰি পেলাইছে। ইয়াৰ উপৰিও প্ৰায় লোকৰে অতি কম কম মাটি আছে। এইকেইটা কাৰণতে বৰদধি গাঁৱৰ পৰা অনেক পৰিয়াল বিভিন্ন ঠাইলৈ উঠি যায়। অৱশ্যে চাকৰি আৰু ব্যৱসায়ৰ নামত কিছুলোকে গুৱাহাটীৰ বাসিন্দা হয়।

বৰদধি গাঁৱৰ পৰা উঠি যোৱা সৰ্বমুঠ পৰিয়াল হৈছে—

| | | | | | |
|---|---|---|---|---|---|
| (১) গুৱাহাটীলৈ— | ৪৫ | ঘৰ | (১০) হাজোলৈ— | ২ | ঘৰ |
| (২) কিচ্‌মৎ বাংশৰলৈ— | ৫২ | ” | (১১) চাৰিআলিলৈ— | ৩ | ” |
| (৩) নগাওঁ জিলালৈ— | ১৩ | ” | (১২) লাটিবাৰীলৈ— | ৩ | ” |
| (৪) গান্ধীবাৰীলৈ— | ২৫ | ” | (১৩) কোকৰাঝাৰলৈ— | ১ | ” |
| (৫) অভয়পুৰ গাঁওলৈ— | ২ | ” | (১৪) তেজপুৰলৈ— | ৩ | ” |
| (৬) বাগ্‌টা গাঁওলৈ— | ৩ | ” | (১৫) শিলঙলৈ— | ২ | ” |
| (৭) দক্ষিণপাৰলৈ— | ৫ | ” | (১৬) গুৱাগকুছিলৈ | ২ | ” |
| (৮) বংশৰ গাঁওলৈ— | ৬ | ” | (১৭) খৈৰাবাৰীলৈ | ২ | ” |
| (৯) কুলহাটী গাঁওলৈ— | ১৩ | ” | (১৮) বিভিন্ন গাঁওলৈ— | ২৮ | ” |

মুঠ— ২১১ ঘৰ

বিভিন্ন কাৰণত বিভিন্ন ঠাইৰ পৰা বৰদধি গাঁওলৈ উঠি অহা লোকৰ পৰিচয় :

| | | | | | |
|---|---|---|---|---|---|
| ১) | হাজোৰ পৰা— | ৩ ঘৰ | ১৪) | ক্ষুদ্ৰদধি গাঁৱৰ পৰা— | ২ ঘৰ |
| ২) | একাদি অঞ্চলৰ " | ১ " | ১৫) | ৰঙাপানীৰ " | ২ " |
| ৩) | বৰগাঁওৰ " | ৪ " | ১৬) | ভোমাৰবৰীৰ " | ১ " |
| ৪) | অভয়পুৰ গাঁওৰ " | ৪ " | ১৭) | শৰণীয়া " | ৩ " |
| ৫) | সাহপুৰ অঞ্চলৰ " | ৪ " | ১৮) | গোৱাল পাৰাৰ " | ১ " |
| ৬) | ৰামদিয়াৰ " | ৮ " | ১৯) | বামুন্দীৰ " | ১ " |
| ৭) | হাজো পটেনি গাঁওৰ " | ৪ " | ২০) | পুৰাণ বুৰ্কাৰ " | ১ " |
| ৮) | ডোবোক গাঁওৰ " | ২ " | ২১) | গান্ধীবাৰীৰ " | ২ " |
| ৯) | মৈহাটী গাঁওৰ " | ১ " | ২২) | ৰাজগড়ৰ " | ১ " |
| ১০) | জাগ্‌ৰা গাঁওৰ " | ১ " | ২৩) | সুন্দৰীদিয়াৰ " | ১ " |
| ১১) | সুন্দৰীশাল গাঁওৰ " | ১ " | ২৪) | কুলহাটীৰ " | ১ " |
| ১২) | বৰভাগ অঞ্চলৰ " | ১ " | ২৫) | বৰমাৰ " | ১ " |
| ১৩) | পছৰীয়া গাঁওৰ " | ২ " | ২৬) | অন্যান্যৰ " | ৪ " |

মুঠ— ৫৭ ঘৰ

বৰদধি গাঁওলৈ উঠি অহা এই ৫৭ ঘৰ পৰিয়ালৰ জনসংখ্যা বাঢ়ি গৈ এতিয়াৰ পৰিয়ালৰ সংখ্যা হৈছে ( সম্প্ৰদায় ভিত্তিক ) :—

| | | | | | |
|---|---|---|---|---|---|
| (১) | মহন্ত— | ৫৬ ঘৰ | (৬) | কেওট— | ১০ ঘৰ |
| (২) | কোচ— | ২৬ " | (৭) | কোঁৱৰ— | ২ " |
| (৩) | মালী— | ১৮ " | (৮) | মুচী— | ১ " |
| (৪) | কলিতা— | ১৪ " | (৯) | ছেত্ৰী— | ১ " |
| (৫) | বনিয়া— | ১৭ " | | | |

মুঠ— ১৪৫ ঘৰ

এনেদৰে প্ৰব্ৰজনৰ পিছত বৰদধি গাওঁৰ বৰ্ত্তমান সৰ্বমুঠ পৰিয়াল হৈছে :—

| | | | | | |
|---|---|---|---|---|---|
| (১) | কলিতা— | ৬৯ ঘৰ | (৬) | কেওট— | ১০ ঘৰ |
| (২) | মালী— | ৮৮ " | (৭) | কোঁৱৰ— | ২ " |
| (৩) | বনিয়া— | ২৬ " | (৮) | মুচী— | ১ " |
| (৪) | মহন্ত— | ৫৬ " | (৯) | ছেত্ৰী— | ১ " |
| (৫) | কোচ— | ২৬ " | (১০) | পটোৱা— | ৫২ " |
| | | | | মুঠ— | ৩৩১ ঘৰ |

বৰদধি গাওঁৰ মুঠ— ৩৩১ ঘৰ পৰিয়ালৰ জনসংখ্যা হৈছে প্ৰায় ১৯২১ জন।

□ ❊ □

# বৰদধি গাঁৱৰ-সত্ৰ অনুষ্ঠান আৰু ধৰ্মীয় ধাৰা

অতি প্ৰাচীন কালৰে পৰা অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলনৰ কথা আৰম্ভণিতে উল্লেখ কৰা হৈছে। তেতিয়াৰে পৰা বৰদধি গাঁৱতো ইয়াৰ প্ৰচলন হৈ আছে। অৱশ্যে ই একশৰণ বৈষ্ণৱ ধৰ্ম নাছিল। হাজোৰ ধোপৰগুৰিত শ্ৰীলক্ষ্মীকান্ত আতৈয়ে একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু সত্ৰ নিৰ্মাণ কৰা আৰু বৰদধিত তেওঁৰ দ্বিতীয় পুত্ৰ সনাতন আতাই সত্ৰ নিৰ্মাণ কৰাৰ পিছৰ পৰা বৰদধি গাওঁত সত্ৰ-সংস্কৃতি আৰু একশৰণ বৈষ্ণৱ ধৰ্মৰ কথা জানিব পাৰি।

সনাতন আতা বৰদধি গাঁৱলৈ অহাৰ পিছত বৰদধি গাঁৱত নিৰ্মাণ হোৱা সত্ৰবোৰ এনেধৰণৰ :—

**বৰদধি সনাতন বুঢ়া কীৰ্ত্তনঘৰ সত্ৰ:** ১৬৭৫ চনত কিদৰে বৰদধি গাঁৱত এইখন সত্ৰ প্ৰতিষ্ঠিত হৈছে আৰম্ভণিতে বৰ্ণনা কৰা হৈছে। পৰৱৰ্ত্তী কালত এই সত্ৰৰপৰা বিভিন্ন কাৰণত গাঁওখনৰ বহুতে মানুহ আঁতৰি যায়। সেইসকল লোকে গাঁওখনত কেইবাখনো সত্ৰ অথবা কীৰ্ত্তনঘৰ নিৰ্মাণ কৰে। অকল সনাতন আতাৰ বংশধৰ সকলেহে কীৰ্ত্তন ঘৰটো চলাই থাকে। এটা সময়ত কীৰ্ত্তন ঘৰটোৰ অৱস্থা তেনেই জৰাজীৰ্ণ হয়। ১৯৫২ চনত মহন্তসকলে ইয়াক পুনৰনিৰ্মাণ কৰিবলৈ লয়। ১৯৬৩ চনত তেতিয়াৰ অসম বিধান সভাৰ অধ্যক্ষ তথা হাজো সমষ্টিৰ বিধায়ক প্ৰয়াত মহেন্দ্ৰমোহন চৌধুৰীদেৱে সত্ৰৰ নামত ৩০০০.০০ ( তিনি হাজাৰ ) টকাৰ অনুদান দিয়ে। ১৯৮৭ চনতহে কীৰ্ত্তন ঘৰটোৰ নিৰ্মাণৰ কিছু কাম শেষ হয়। যদিও এই কীৰ্ত্তন ঘৰত ধৰ্মীয় কামবোৰ চলি আছে, নিৰ্মাণৰ কাম এতিয়াও কিছু বাকী আছে। ১৯৭১ চনতে নিখোজ হোৱা শ্ৰীমন্ত শংকৰদেৱৰ হাতৰ শ্ৰীআঙঠিটো উদ্ধাৰৰ চেষ্টা চলি আছে যদিও, আজিলৈ ইয়াক উদ্ধাৰ কৰিব পৰা নাই।

সত্ৰৰ পৰিচালনা কমিটিয়ে সত্ৰৰ সকলো কাম পৰিচালনা কৰে। এই সত্ৰত সত্ৰাধিকাৰো আছে। আৰম্ভণিৰে পৰা এতিয়ালৈ কাৰ্য্যনিৰ্বাহ কৰা সত্ৰাধিকাৰসকল হৈছে:—

(১) সনাতন আতা, (২) ৰূপনাৰায়ণ মেধি, (৩) ধৰ্মনাৰায়ণ মেধি, (৪) ভৃগুপদ মেধি, (৫) বিষ্ণুপদ মেধি, (৬) শুভদত্ত মেধি, (৭) কীৰ্ত্তনদাহ মহন্ত, (৮) বিষয় চন্দ্ৰ মহন্ত, (৯) অমৃত চন্দ্ৰ মহন্ত, (১০) ললিত চন্দ্ৰ মহন্ত, (১১) প্ৰাণচন্দ্ৰ মহন্ত আৰু শ্ৰীশ্ৰীদাম চন্দ্ৰ মহন্ত।

উনৈশ শতিকাৰ মাজভাগলৈ এই বংশৰ লোকসকলে "মেধি" উপাধি লিখিছিল। ইয়াৰ পিছত এওঁলোকে "মহন্ত" উপাধি লিখিবলৈ আৰম্ভ কৰে। এয়া কোনো ৰজা-মহাৰাজাই প্ৰদান কৰা উপাধি নহয়। এই সত্ৰৰ নামত আহোম ৰজাই দান দিয়া জমীৰ বিষয়ে ইতিমধ্যে লিখা হৈছে।

এই সত্ৰ পুনৰনিৰ্মাণৰ সময়ত গাঁৱৰে শ্ৰীভূপেন্দ্ৰ চন্দ্ৰ মহন্তৰ পুত্ৰ শ্ৰীদ্বীজেন মহন্তই ১০,০০০ (দহ হাজাৰ) টকা দান দিয়া বুলি জনা যায়।

সত্ৰৰ গুৰু আসনত ভাগৱত শাস্ত্ৰ আছে। ইয়াত নিতৌ নাম-প্ৰসঙ্গ হৈ থাকে। সনাতন আতাৰ বংশৰ শ্ৰীকন্দৰ্প মহন্তই বৰ্তমান নাম-প্ৰসঙ্গ কৰি আছে। সত্ৰৰ প্ৰাঙ্গনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদ্‌যাপন হয়। সত্ৰৰ কীৰ্ত্তনঘৰটো এতিয়াও সম্পূৰ্ণ হোৱা নাই। সম্পূৰ্ণ হৈ উঠিলে, ই গাঁওখনৰ এক গৌৰৱৰ বস্তু হ'ব।

**১নং পটেনিৰ সত্ৰঃ** এই সত্ৰৰ জন্মৰ বিৱৰণ আৰম্ভণিতে দিয়া হৈছে। এই সত্ৰৰ গুৰিতে এজোপা বৃহৎ বেলগছ আছিল বাবে সত্ৰখনক বেলৰ তলৰ সত্ৰও বুলিছিল। ৫০ বছৰমান আগতে গছজোপা কাটি কীৰ্ত্তন ঘৰটো পুনৰনিৰ্মাণৰ কামত ব্যৱহাৰ কৰিছে। এই সত্ৰৰ কোনো নিৰ্দিষ্ট সত্ৰাধিকাৰ নাই। বয়স্কজনকে সত্ৰাধিকাৰৰ মৰ্য্যাদা দি চলি আছে।

মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা আঢ়ৈ শাৰী পদেৰে কাইঠেলী ভাষাত লিখা আৰু শ্ৰীলক্ষীকান্ত আতৈৰ ৰচিত "বুঢ়ী দশম" শাস্ত্ৰখনি গুৰুবিৎ হিচাপে এই সত্ৰত সংৰক্ষিত হৈ আছে। বহাগ আৰু মাঘ বিহুত ইচ্ছুক দৰ্শকে ইয়াক দৰ্শন কৰিব পাৰে।

পৰিচালনা কমিটিয়ে সত্ৰৰ সকলো কাম পৰিচালনা কৰে। সুন্দৰৰ বংশৰ লক্ষী মহন্তৰ পুত্ৰ শ্ৰীৰাজেন্দ্ৰ চন্দ্ৰ মহন্তই ইয়াত নাম-প্ৰসঙ্গ কৰি আছে। গুৰু আসনত ভাগৱত শাস্ত্ৰহে আছে। ১৭০০ চনত এই সত্ৰ স্থাপিত হৈছিল।

**২নং পটেনিৰ সত্ৰঃ** এই সত্ৰৰ নিৰ্মাণৰ বিৱৰণো আৰম্ভণিতে উল্লেখ কৰা হৈছে। সৰ্বানন্দৰ বংশৰ ভৰথ মহন্তৰ পুত্ৰ শ্ৰীডিম্বেশ্বৰ মহন্তৰ উদ্যোগত ১৯৯০ চনত এই সত্ৰৰ ঘৰ টিনপাতেৰে পুনৰ নিৰ্মিত হয়। ইয়াত কোনো সত্ৰাধিকাৰ নাই। শ্ৰীডিম্বেশ্বৰ মহন্তই নাম-প্ৰসঙ্গ কৰি থাকে। ইয়াত এখন পৰিচালনা কমিটি আছে। গুৰু আসনত ভাগৱত শাস্ত্ৰহে আছে। ১৭০৪ চনত এই সত্ৰ স্থাপিত হৈছিল।

**৩নং পটেনিৰ সত্ৰ ঃ** ১৮৯৭ চনৰ ভূমিকম্পৰ ফলত সৃষ্টিকান্ত মহন্তই পটেনিৰ পৰা আহি বৰদধি গাঁৱত এই সত্ৰখন স্থাপন কৰে। শিষ্য-প্ৰশিষ্যসকলে এৰা দিয়াত এইখন এখন ব্যক্তিগত সত্ৰ হৈ পৰিছে। গুৰু আসনত ভাগৱত শাস্ত্ৰ আছে।

**অভয়পুৰীয়া সত্ৰ ঃ** ১৮৯৭ চনৰ ভূমিকম্পৰ পিছত বৰদধি গাঁৱত এই সত্ৰ স্থাপনৰ বিৱৰণ আৰু সত্ৰৰ নামত আহোম ৰজাই জমী দান দিয়াৰ কথা আৰম্ভণিতে উল্লেখ কৰা হৈছে। বিষ্ণুপদ বংশধৰসকলে পাল-পাতি ইয়াত নাম-প্ৰসঙ্গ কৰি আছে। গুৰু আসনত ভাগৱত শাস্ত্ৰ আছে।

**বৰদধি গঞা কীৰ্ত্তনঘৰ সত্ৰ বনাম-বৰদধি শ্ৰীশ্ৰীশংকৰ-দেৱ সনাতন কীৰ্ত্তনঘৰ সত্ৰ ঃ** এই কীৰ্ত্তনঘৰ নিৰ্মাণৰ কথা প্ৰথম অধ্যায়ত উল্লেখ কৰা হৈছে। ১৯২৩ চনত ঘৰটোত ৰাইজে টিনপাত লগায়।

কালক্ৰমত বিভিন্ন কাৰণত এই কীৰ্ত্তনঘৰত ৪/৫ টা দলৰ সৃষ্টি হয়। আনপিনে ঘৰটোৰ অৱস্থাও জৰাজীৰ্ণ হয় ১৯৭০ চনত কীৰ্ত্তন ঘৰৰ দলবোৰ একত্ৰীকৰণ হৈ এটা দল হয়। ইয়াৰ ফলতে ১৯৭৬ চনৰ ১৩ অক্টোবৰত জহী-খহী যাবলৈ ধৰা কীৰ্ত্তন ঘৰটো ভাঙি নতুন ঘৰৰ আধাৰশিলা ৰাইজে স্থাপন কৰে। আধাৰশিলা স্থাপনৰ অনুষ্ঠানত ভাগৱত পাঠ আৰু নাম-প্ৰসঙ্গত সনাতন আতাৰ বংশধৰ সুশীল মহন্তৰ পুত্ৰ শ্ৰীত্ৰৈলোক্য মহন্তই সমাপন কৰে। নতুন কীৰ্ত্তন ঘৰটোৰ নামকৰণ "বৰদধি গঞা কীৰ্ত্তনঘৰৰ" পৰিবৰ্ত্তে "বৰদধি শ্ৰীশ্ৰীশংকৰদেৱ সনাতন কীৰ্ত্তনঘৰ সত্ৰ" হয়।

কীৰ্ত্তনঘৰ পুনৰনিৰ্মাণৰ কামত চৰকাৰী অনুদান আৰু ব্যক্তিগত দানো যথেষ্ট আছে ; কিন্তু এতিয়ালৈ ই সম্পূৰ্ণ হৈ উঠা নাই। এতিয়াও দান-বৰঙণি সংগ্ৰহ হৈ আছে। কীৰ্ত্তন ঘৰৰ নামত চৰীয়া, শৰাই আদি দান দিয়া লোকো আছে। আৰম্ভণিৰে পৰা এতিয়ালৈ কীৰ্ত্তন-ঘৰত ১৩ জন পাঠকে কাম কৰি আছে। ৰাইজে পাঠকক বাৰ্ষিক

অৰিহণা দিয়ে। গুৰু আসনত ভাগৱত শাস্ত্ৰ আছে। ইয়াত পুৱা-গধূলি নাম-প্ৰসঙ্গ হয়। এই কীৰ্ত্তন ঘৰৰ আয়তীসকলৰ সংগঠনো অতি শক্তিশালী। তেওঁলোকেও নাম-প্ৰসঙ্গ কৰে।

এই সত্ৰৰ জমীৰ পৰিচয় হ'ল :

| | | |
|---|---|---|
| ১। | হৰিভকতৰ বংশৰ সোণামালীৰ দান— | /১০ লেছা |
| ২। | অভিচিন্তামণিৰ বংশৰ পূণ্য কলিতাৰ দান— | /১৫ " |
| ৩। | হৰি ভকতৰ বংশৰ মমত মালাকাৰৰ দান— | ৩ " |
| ৪। | এই বংশৰে শ্ৰীকৰুণা কুমাৰ মালাকাৰৰ দান— | ৩ " |
| ৫। | জীনা কেওটৰ বংশৰ ধৰণীধৰ দাসৰ দান— | ৩ " |
| | | মুঠ— ৩ কঠা ১৪ লেছা |

১০৭ ঘৰ পৰিয়াল অংশীদাৰ থকা বৰদধি গাঁৱৰ এইখনেই ডাঙৰ সত্ৰ। ইয়াত এতিয়ালৈ দুখন পৰিচালনা কমিটি আছে— এখন নিৰ্মাণ কমিটি আৰু আনখন পৰিচালনা কমিটি। আধৰুৱা কামখিনি সম্পূৰ্ণ হৈ উঠিলে, ইও গাঁওখনৰ এক গৌৰৱৰ বস্তু হ'ব।

**ঠাকুৰ আতাৰ সত্ৰ :** ৰঙাপানীৰ পৰা অশ্ৰদ্ধি মহন্তই ১৯৫৪ চনত বৰদধি গাঁৱলৈ আহি এই সত্ৰ নিৰ্মাণ কৰে। বৰদধি ৰাইজে এইখনক ঠাকুৰ আতাৰ সত্ৰ হিচাপে স্বীকৃতি দিছে। ইয়াত নিতৌ নাম-প্ৰসঙ্গ হয়। গুৰু আসনত ভাগৱত শাস্ত্ৰ আছে।

**বৰদধি শংকৰদেৱ কীৰ্ত্তনঘৰ :** ১৯৮৪ চনত বৰদধি গাঁৱৰ ভড়াটোল চুবুৰিত এই কীৰ্ত্তনঘৰটো নিৰ্মাণ হয়। অৱশ্যে নিৰ্মাণৰ কিছু কাম এতিয়াও বাকী আছে। ইয়াত এখন পৰিচালনা কমিটি আছে। নিতৌ নাম-প্ৰসঙ্গ হয়। গুৰু আসনত ভাগৱত শাস্ত্ৰ আছে।

এইবোৰ সত্ৰ আৰু কীৰ্ত্তনঘৰৰ উপৰিও ব্যক্তিগত ভাৱে সৰ্বশ্ৰী— দিলীপ মহন্ত, হিৰণ্য মহন্ত, কন্দৰ্প মহন্ত, দীপচন্দ্ৰ মহন্ত, প্ৰভাত কলিতা আৰু যোগেন কলিতাৰ একোটা কীৰ্ত্তন ঘৰ আছে। এইবোৰ সকলোতে নিতৌ নাম-প্ৰসঙ্গ হয়। এই নাম-প্ৰসঙ্গৰ ধ্বনিয়ে গাঁওখনক সজীৱ আৰু

বিপদমুক্ত কৰি ৰাখিছে। কীৰ্ত্তন ঘৰবোৰত প্ৰতি বছৰে মহাপুৰুষসকলৰ তিৰোভাব তিথিবোৰ উদ্‌যাপিত হৈ আছে।

বৰদধি গাঁওখন একশৰণীয় বৈষ্ণৱ ধৰ্মী গাঁও। মহাপুৰুষ দুজনাৰ তিৰোভাবৰ পিছত এই ধৰ্মত নানা কু-সংস্কাৰে প্ৰৱেশ কৰে। অসম শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটা শাখাও ১৯৭২ চনত এই গাঁৱত স্থাপিত হয়। ১১/১/৭২ তাৰিখে মধ্য কামৰূপ শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ প্ৰথম অধিৱেশনখন বৰদধি গাঁৱতে অনুষ্ঠিত হৈছিল। এই সময়ত বৰদধি গাঁৱৰ প্ৰায়বোৰ মানুহেই এই সঙ্ঘৰ সদস্য হৈছিল। অসম শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘই পিতৃ-মাতৃ বিয়োগত মুণ্ডণ নকৰা পদ্ধতি প্ৰচলন কৰাৰ পিছত গাঁওখনৰ কিছু মানুহ ইয়াৰ বিৰোধী হৈ পৰে। ইয়াৰ প্ৰতিবাদত এওঁলোকে বৰদধি গাঁওত সত্ৰ সঙ্ঘৰ এটা শাখা জন্ম দিয়ে। সেয়া হ'লেও অসম শ্ৰীমন্ত শংকৰদেৱ সঙ্ঘৰ সংস্কাৰধৰ্মী আচৰণত মানুহবোৰ সচেতন হৈছে। পিতৃ-মাতৃ বিয়োগত আজি-কালি আগৰ দৰে কোনো মানুহে মাহদিন অশৌচ পালন নকৰে। সমাজত অস্পৃশ্যতাও নিৰ্মূল হৈছে। বৰ্ত্তমান বিজ্ঞানৰ যুগ, পৰিবৰ্ত্তনৰ যুগ। গতিকে পিতৃ-মাতৃ বিয়োগত পুত্ৰই মুণ্ডণ নকৰা পদ্ধতিও মানুহে গ্ৰহণ কৰিবই।

⊖★⊖

# বৰদধি গাঁৱৰ সমাজ ব্যৱস্থা

চৈধ্য শতিকাতে ৰজা আৰিমত্তই গাঁওখনৰ উত্তৰ-পশ্চিমত পানী খোৱাৰ কাৰণে এটা পুখুৰী খন্দাই দিয়ে। এই পুখুৰী "পতুম পুখুৰী" নামে জনা যায়। ইয়াৰ আগতে মানুহে খাল-বিলৰ পানী খাইছিল। এয়া ১৩৬১-৮৫ চনৰ কথা।

কোচ ৰজাৰ ৰাজসভাৰ পণ্ডিত পীতাম্বৰ সিদ্ধান্ত বাগীছদেৱে ১৫৮৩ খ্ৰীষ্টাব্দত এই বৰদধি গাওঁতে বাস কৰিছিল। বৰদধি গাঁওৰ উন্নত সমাজ ব্যৱস্থাৰ ইয়ো এক প্ৰমাণ।

ইয়াৰ পিছত আহোম আৰু মোগলৰ মাজত হোৱা যুদ্ধত (১৬২৭ খ্ৰীষ্টাব্দৰ পিচত) আহোম সৈন্যই বৰদধি গাঁৱত চাউনি পাতি যুদ্ধ কৰা কথাটোও কম গুৰুত্বপূৰ্ণ কথা নহয়। সেই দিনৰেপৰা আজিলৈ বৰদধি গাঁৱৰ মানুহ দেশপ্ৰেমত সদা-সচেতন।

১৬৭৫ খ্ৰীষ্টাব্দত হাজোৰ ধোপৰগুৰি সত্ৰৰ ধৰ্মাচাৰ্য্য শ্ৰীলক্ষীকান্ত আতৈৰ দ্বিতীয়জন পুত্ৰ সনাতন আতা বৰদধি গাওঁলৈ আহি সত্ৰ নিৰ্মাণ কৰে। ইয়াৰ পৰাই তেওঁ একশৰণ বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰে। এই সময়ৰ পৰাহে বৰদধি গাঁওৰ সমাজ-ব্যৱস্থাৰ কথা জানিব পাৰি।

বৰদধি গাঁৱৰ সমাজ-ব্যৱস্থাক চাৰিটা ভাগত ভগাব পাৰি, যথা—

(১) আদিৰে পৰা ১৬৭৫ চনলৈ, (২) ১৬৭৫ চনৰ পৰা ১৯৩০ চনলৈ, (৩) ১৯৩০ চনৰপৰা ১৯৫৪ চনলৈ আৰু (৪) ১৯৫৪ চনৰপৰা ১৯৯৮ চনলৈ।

## (১) আদিৰেপৰা ১৬৭৫ চনলৈঃ

আৰিমত্ত ৰজাই খন্দোৱা পদুম পুখুৰী, পীতাম্বৰ সিদ্ধান্ত বাগীছদেৱৰ বৰদধি গাঁওত অৱদান, আহোম আৰু মোগল সৈন্যৰ মাজত হোৱা যুদ্ধত আহোমে বৰদধি গাওঁত চাউনি পাতি যুদ্ধ কৰা কথাৰ বাহিৰে বিশেষ আন কথা জানিব নোৱাৰি। সেই সময়ত মানুহে ভূত-প্ৰেতৰ লগত যুঁজ-বাগৰ কৰিয়ে জীৱন-নিৰ্বাহ কৰিবলগীয়া হোৱা বুলি সাধু কথাৰ নিচিনা কিছু কথা জানিব পাৰি। তেতিয়া হেনো দেৱতাৰো (ভূত-প্ৰেত) সমাজ আছিল। কিন্তু মানুহবোৰ অতি সাহসী আৰু আদৰ্শবান আছিল। ভূত-প্ৰেত আদি দেৱতাক ভয় নকৰিছিল।

## (২) ১৬৭৫ চনৰপৰা ১৯৩০ চনলৈঃ

এই সময়ছোৱা বৰদধি গাঁৱৰ গৌৰৱময় যুগ আছিল। ১৬৭৫ চনত সনাতন আতাৰ বৰদধি গাঁৱত প্ৰৱেশৰ পিছত গাঁওখন ৰমক্-জমক্ হৈ

উঠে। বৰদধি গাঁৱলৈ বিভিন্ন ঠাইৰপৰা সন্ত-মহন্তৰ প্ৰৱেশে গাওঁখনক মহীয়ান কৰি তোলে। বৰদধি গাঁৱৰ যি চাৰিজন বুঢ়াৰ ( নাৰদ, হৰিভকত, অভিচিন্তামণি আৰু ওলোমা ) উদ্যোগত সনাতন আতাৰ বৰদধি গাঁৱত প্ৰৱেশ ঘটে, সেই চাৰিজন বুঢ়া বৰদধি গাঁওৰ ইতিহাসত যুগ যুগ ধৰি অমৰ হৈ থাকিব। তেজ-মঙহৰ শৰীৰ, গতিকে মানুহৰ মাজত-হাই-কাজিয়া, বিভাজন আদি হোৱাটো স্বাভাৱিক আছিল; কিন্তু সেইবোৰ সমাজত কেতিয়াও স্থায়ী ৰূপ লোৱা নাছিল। সেই সময়ত উল্লেখযোগ্য ব্যক্তিসকল আছিল, যথা—হৰিমল ঠাকুৰীয়া, যজ্ঞৰাম মালী, মায়াৰাম মালী, মানিকচন্দ্ৰ মালী, কৃষ্ণৰায় মহন্ত, বিষয় চন্দ্ৰ মহন্ত, হাসিৰাম কলিতা আদি। পানমল কলিতাৰ বংশৰ 'মঞ্জয় কলিতা' আছিল এজন অতি শক্তিশালী লোক। চেঁচা নদীত ৰাইজে মাছ ধৰা সংক্ৰান্তত উদ্ভৱ হোৱা এক ঘটনাত এওঁ এজন লোকক হত্যা কৰে বুলি জনা যায়। চেঁচা নদীৰ এই ঠাইখিনিক আজিও "মানুহ মৰাৰ ঘাট" বুলি জনা যায়।

সনাতন আতাৰ বংশধৰসকলৰ মাজত বিভাজন অহাত বৰদধি গাঁৱৰ "মাঘৰ সভাখন" কেতিয়াবা ১০/১২ খন আৰু কেতিয়াবা ৫/৬ খনকৈও হ'বলৈ ধৰে। শ্ৰীকৃষ্ণৰ দোল-যাত্ৰাও বৰদধি গাঁৱৰ দ'লত পথাৰত উদ্‌যাপিত হৈছিল। মহন্তসকলৰ মাজৰ বিভাজন আৰু লগতে ৰাইজৰ লগতো বিভাজন হোৱাত ১৯১৫ চনৰ পৰা দোলযাত্ৰা পালনৰ উৎসৱ বন্ধ হৈ যায়।

সেই সময়ৰ গাঁৱৰ গাঁওবুঢ়াসকল আছিল—মায়াৰাম মালী, মানিক চন্দ্ৰ মালী, জয়ৰাম মালী আৰু কিনাৰাম কলিতা ( এওঁ ১৯৩০ চনত গাঁওবুঢ়া হৈছিল)। এই সময়ত গাঁওবুঢ়াসকলেই সমাজৰ কামত আগভাগ লৈছিল।

বিয়া হ'ল—সামাজিক উৎসৱ; কিন্তু ই অতি সীমাবদ্ধ আছিল। প্ৰায়বোৰ বিয়া গাঁৱৰ ভিতৰতে সম্পাদিত হৈছিল। কিছু বিয়া শুৱালকুছি, মৈহাটী-দক্ষিণ শিংৰা, বুৰ্কা-নবুৰ্কা, ক্ষুদ্ৰদধি, বৰগাঁও, অভয়পুৰ,

চেঁচামুখ, হাজো, ভোমা, সাতদলা, বাগ্‌টা গাঁৱৰ লগতো হৈছিল। কোনো বস্তুৰে অভাব নাছিল। মানুহৰ গুৰুভক্তিও অপৰিসীম আছিল। মহন্ত-সকলে শিষ্য-প্ৰশিষ্যই দিয়া ধান-চাউলেৰে সহজ জীৱন যাপন কৰিছিল; অৱশ্যে তেওঁলোকৰ অনেকে কৰতীয়া মিস্ত্ৰী আৰু ঘৰসজা মিস্ত্ৰীৰ ব্যৱসায়ো কৰিছিল। এই সময়ত বৰদধি সনাতন বুঢ়া কীৰ্ত্তন সত্ৰ আৰু বৰদধি সৰু কীৰ্ত্তনঘৰ সত্ৰ বনাম বৰদধি শ্ৰীশ্ৰীশংকৰদেৱ সনাতন কীৰ্ত্তনঘৰ সত্ৰৰ ঘৰ দুটাহে টিন-পাতেৰে তৈয়াৰী ঘৰ আছিল। আন ঘৰবোৰ বাঁহৰ খুটাৰ খেৰীঘৰ আছিল আৰু দুই গতি চাপৰ ঘৰ আছিল।

## ১৯৩০ চনৰ পৰা ১৯৫৪ চনলৈ :

বৰদধি গাঁৱৰ বাবে এই সময়চোৱা নৱ-জাগৰণৰ সময়। দেশত স্বাধীনতাৰ আন্দোলন। হৰিভক্ত মালীৰ বংশৰ মজুৰাম মালীৰ পুত্ৰ নিধিৰাম দাসে ১৯২০ চনত মেট্ৰিক পৰীক্ষা (এণ্ট্ৰেন্স) পাছ কৰি স্বাধীনতাৰ আন্দোলনত যোগদান দিয়ে। লগে লগে তেওঁ গাঁও সংগঠনৰ কামটো ব্ৰতী হয়। ১৯৩০ চনত এওঁ বৰদধি গাঁৱত কংগ্ৰেছৰ এখন সৰু অধিৱেশন (Mini Session) অনুষ্ঠিত কৰে। এই সভাই গাঁওখনত এক জাগৰণৰ সৃষ্টি কৰে। ইমান দিনলৈ গাঁওখনত "গাঁও সমাজহে" আছিল। নিধিৰাম দাসে "বৰদধি গাঁও উন্নয়ন কমিটী" নামেৰে এখন গাওঁ কমিটী গঠন কৰি এওঁ সম্পাদক হয়। কমিটীত স্থায়ী সভাপতিৰ পদ নাছিল। যিদিনাই মেল-মিটিং কৰিছিল, সেইদিনাই উপস্থিত থকাসকলৰ বয়স্ক আৰু জ্ঞানী-জ্ঞানীজনক সভাপতি নিৰ্বাচিত কৰি মেল-মিটিংৰ কাম সম্পাদন কৰিছিল। সেই সময়ৰ এনে ব্যক্তিসকল আছিল— বলোভদ্ৰ মহন্ত, সূৰ্য্যকান্ত মহন্ত, মহেশ চন্দ্ৰ মহন্ত আৰু নিধিৰাম দাস। নিধিৰাম দাস ১৯৪৬ চনৰ পিচত সভাপতি হয়। ইয়াৰ আগলৈকে এওঁ সম্পাদক আছিল। এই সময়ৰ প্ৰখ্যাত মেলকীসকল আছিল—বুজুৰাম মালী, হুধুৰাম কলিতা, চক্ৰিৰাম কলিতা, প্ৰাণচন্দ্ৰ মহন্ত, ভুবন চন্দ্ৰ মহন্ত, খিড়ৰাম কোচ, কেঁচা ঠাকুৰীয়া, নবীন কলিতা, মহেন্দ্ৰ চন্দ্ৰ মালাকাৰ আদি। শ্ৰীশ্ৰীদামচন্দ্ৰ মহন্তইও সময়ে সময়ে মেল-বিচাৰত অংশ গ্ৰহণ কৰিছিল।

ইমান বছৰে বৰদধি গাঁৱৰ ৰাইজে বৰপুখুৰীৰ পানী খাইছিল। ভড়াটোল আৰু বটাটোল চুবুৰিৰ ৰাইজে তেওঁলোকৰ সুবিধাৰ্থে তেওঁলোকৰ চুবুৰিৰ পথৰ দাঁতিত ১৯৩২ চনত এটা পুখুৰী খান্দে আৰু তাৰ পানী খাবলৈ ধৰে। পুখুৰীটো সৰু আৰু বৰ্তমান ইয়াত পানী নাই।

১৯৪৬ চনত মালীসকল তপশীল ভুক্ত অনুসূচীত জাতি হিচাপে স্বীকৃতি পোৱাৰ পিছত তেওঁলোকে নামৰ পিছত "মালী"ৰ পৰিৱৰ্ত্তে "মালাকাৰ" উপাধি লিখিবলৈ লয়। আনপিনে কলিতা জাতিৰ মাজত থকা বিভেদবোৰ (বৰ কলিতা, সৰু কলিতা আৰু খেন্ কলিতা) ১৯৪৮ চনৰপৰা আঁতৰ হয়। কেতেকীবাৰী গাঁৱৰ অমৃতচন্দ্ৰ ডেকা, ঢিঙৰবৰী-পছৰীয়া গাঁৱৰ অমৃতচন্দ্ৰ কাকতি আৰু বাগ্‌টা গাঁৱৰ মহেন্দ্ৰ ডেকাৰ উদ্যোগত ১৯৪৮ চনৰ নৱেম্বৰ মাহত তেতিয়াৰ হৰ-গৌৰী মন্দিৰ প্ৰাঙ্গনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই সভাতে ভোজ-ভাত খায় সকলোবোৰ কলিতা একত্ৰীকৰণ হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত বৰদধি গাঁৱৰ কলিতাসকলো ভেদ-ভাৱ পাহৰি একত্ৰীকৰণ হয়।

বিভিন্ন অজুহাতত বৰদধি গাঁৱৰ মালী আৰু মহন্তসকলেও নিজা নিজা জাতিগত দল গঠন কৰে। ইয়াৰ ফলত গাঁওখনৰ সমাজ-ব্যৱস্থাত কিছু শিথিলতা আহে। এনে পৰিস্থিতিৰ মাজতে ১৯৫১ চনত সূৰ্য্যকান্ত মহন্তৰ উদ্যোগত গাঁৱৰ বৰ পুখুৰীটোৰ এতৰপ খন্দোৱা হয়। ইয়ে খৰাং বতৰত পুখুৰীৰ পানী শুকাই যোৱাৰ সন্দেহ দূৰীভূত কৰে। এই সময়ত কুলহাটী গাঁৱৰ কিছু লোকে খৰাং কালত বৰদধি গাঁৱৰ এই পুখুৰীটোৰ পানী ব্যৱহাৰ কৰিছিল।

ইতিমধ্যে অঞ্চলটোৰ লগতে বৰদধি গাঁৱত চোৰৰ উপদ্ৰৱ বৃদ্ধি হয় বান্দৰৰ উৎপাতো বাঢ়ে। এইবোৰ নিৰাময়ৰ অৰ্থে ১৯৫২ চনত বৰদধি গাঁৱত এটা গাঁওৰক্ষী বাহিনী গঠিত হয়। ইয়াৰ সভাপতি হয় শ্ৰীদামচন্দ্ৰ মহন্ত আৰু সম্পাদক হয় শ্ৰীমহেন্দ্ৰ চন্দ্ৰ মালাকাৰ (শিক্ষক)। এই সময়-চোৱাৰ বৰদধি গাঁও উন্নয়ন কমিটীৰো সম্পাদক আছিল শ্ৰীমহেন্দ্ৰ চন্দ্ৰ মালাকাৰ। বান্দৰ খেদাৰ কাৰণে ৰাইজে সম্পাদকৰ নামত এটা বন্দুক

কিনি দিয়ে। এই ছয়োটা ব্যৱস্থাই গাঁৱত সৃষ্টি হোৱা জাতিগত দলৰ অৱলুপ্তি ঘটায়।

বৰদধি গাঁৱত গঠিত "গাঁওৰক্ষী বাহিনী" কমিটিখন এতিয়ালৈ চলি আছে। ইয়াৰ সভাপতি আৰু সম্পাদকসকল এনেধৰণৰ :

**সভাপতিসকল :**

শ্ৰীৰামচন্দ্ৰ মহন্ত, শ্ৰীমহেন্দ্ৰ চন্দ্ৰ মালাকাৰ (শিক্ষক), শ্ৰীউপেন কলিতা আৰু শ্ৰীমনমোহন মালাকাৰ।

**সম্পাদকসকল :**

শ্ৰীমহেন্দ্ৰ চন্দ্ৰ মালাকাৰ, শ্ৰীগিৰিশ কলিতা, শ্ৰীৰঞ্জিত মালাকাৰ, শ্ৰীনিৰঞ্জন কলিতা, শ্ৰীৰামেশ্বৰ মালাকাৰ, শ্ৰীগণেশ কলিতা আৰু শ্ৰীবিমল কলিতা।

এই সময়ত মানুহৰ ঘৰবোৰ মাত্ৰ ৫/৬ ফুট মানহে ওখ আছিল। অৰ্থাৎ ঘৰবোৰ বৰ চাপৰ আছিল। টিন-পাতৰ ঘৰ থকা মানুহবোৰ আছিল যথা—ভড়াটোল চুবুৰিৰ মায়াৰাম মালী, মাজৰটোলৰ মুক্তিৰাম মহন্ত, প্ৰাণচন্দ্ৰ মহন্ত, ছুটিৰাম দাস, মুক্তিযুঁজাৰু নিধিৰাম দাস, মহাৰাম মহন্ত, সূৰ্য্যকান্ত মহন্ত, মমত মালী, জানীৰাম মালী, দুলাল চন্দ্ৰ মহন্ত আৰু সুশীল মহন্ত। এই সময়ৰ গাঁওখনৰ কিছু বৈশিষ্ট্য এনে ধৰণৰ—

(১) কৃষক পথাৰলৈ গ'লে ফুন্টাৰ ব্যৱহাৰ কৰিছিল। নিশা ঘৰত খৰম ব্যৱহাৰ কৰিছিল।

(২) চহকী মানুহৰ একোটাকৈ "চৌৰাঘৰ" অথবা "বাটঘৰ" আছিল। ইয়াৰ পৰিৱৰ্ত্তে আজি-কালি "ড্ৰইং ৰুম" বনাই লৈছে।

(৩) এই সময়ত বিয়া-বাৰুৰ ক্ষেত্ৰখন কিছু বহল হয়। ছিৰাবোৰ নগাঁও, দক্ষিণপাৰৰ বিভিন্ন গাঁও, বৰপেটা, ৰঙাপানী, নলবাৰী, ৰঙিয়া, পাঠশালা, ছয়গাঁও, গোঁসাইঘাট, বাসুন্দী আদি গাঁওৰ লগত হ'বলৈ ধৰে।

(৪) দেশৰ স্বাধীনতাৰ আগলৈকে বৰদধি গাঁৱৰ ভিতৰত ইৰ পথাৰখন বাৰিষা পানীৰ তলতে ডুব গৈ আছিল। তাৰ মাহৰ গুৰুসকলৰ

স্থিতিত ৰাইজে ইয়াত নাও খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি আনন্দ উপভোগ কৰিছিল।

(৫) গাঁওখনত অনেক সক-ডাঙৰ গছ-গছনি আছিল। নিশা কুকুৰা চৰাইৰ মাতত মানুহে সময় গণনা কৰিছিল। এতিয়া এইবোৰ গছ নাই আৰু কুকুৰা চৰায়ো নাই।

দেশৰ স্বাধীনতাৰ আন্দোলনত বৰদধি গাঁৱৰ ভূমিকা আছিল অনন্য। এই গাঁৱত ৮ জনতকৈও অধিক মুক্তিযুঁজাৰু আছে। এই আন্দোলনৰ জন-জাগৰণৰ ফলতে ভূপেন্দ্ৰ চন্দ্ৰ মহন্তৰ নেতৃত্বত ১৯৪৫ চনত বৰদধিত "সেৱক সঙ্ঘ" নামৰ এক অনুষ্ঠানৰ জন্ম হয়। এই অনুষ্ঠানৰ জৰিয়তে ১৯৪৬ চনত "বৰদধি শ্ৰীশ্ৰীশংকৰদেৱ পুথি ভঁড়াল" আৰু "বৰদধি বালিকা প্ৰাথমিক বিদ্যালয়"ৰ জন্ম হয়। তেতিয়া কৰ্মই ধৰ্ম আছিল বুলি সকলোৱে বিবেচনা কৰিছিল।

## ১৯৫৪ চনৰপৰা ১৯৯৮ চনলৈ :

বৰ্তমান বিজ্ঞানৰ যুগ, প্ৰগতিৰ যুগ আৰু পৰিৱৰ্তনৰ যুগ। গাঁও-খনত গঠিত হোৱা জাতিগত দলবোৰ ১৯৫৪ চনৰ পৰা বিলোপ হয়। ৮/৮/৫৪ তাৰিখে গাঁওখনত এখন বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই তাৰিখত মৰহি থকা বৰদধি গাঁও উন্নয়ন কমিটীখন পুনৰ গঠিত হয়। ইয়াৰ পিছত ১১/৯/৫৪ তাৰিখৰ গাঁও উন্নয়ন কমিটীৰ আন এখন সভাত বিনা বিচাৰে পৰি থকা কেইবাখনো বিচাৰ ৰাইজে সমাধা কৰে। এই দুয়োটা দিনকে গাঁওখনৰ বাবে এক শিলৰ ৰেখা বুলিব পাৰি। ১৯৬২ চনত বটাটোলৰ শ্ৰীকালিৰাম কলিতা বৰদধি গাঁৱৰ গাঁওবুঢ়া হয়।

বৰদধি গাঁৱৰ ৰাজহুৱা কামবোৰ বিধিসন্মত ভাবে কৰাৰ বাবে এখন সংবিধান ৰচিত হয়। ১৭/১০/৬৯ তাৰিখৰ পৰা ই সমাজত কাৰ্য্যকাৰী হয়। তেতিয়াৰে পৰা আজিলৈ বৰদধি গাঁও উন্নয়ন কমিটীয়ে এই দিনটো সাংবিধানিক দিৱস হিচাপে পালন কৰি আহিছে। ইয়াৰ আগতে সমাজত কোনো লিখিত সংবিধান নাছিল।

১৯৫৪-৯৮ চনৰ ভিতৰত কাৰ্য্য-নিৰ্বাহ কৰা বৰদধি গাঁও উন্নয়ন কমিটীৰ বিষয়-ববীয়াসকল হৈছে—

**সভাপতিসকল :**

(১) মুক্তিযোদ্ধা নিধিৰাম দাস, (২) শ্ৰীমহেন্দ্ৰ চন্দ্ৰ মালাকাৰ (শিক্ষক), (৩) প্ৰাণচন্দ্ৰ মহন্ত, (৪) ৰজনী মহন্ত (পিঃ হৰিশ্চন্দ্ৰ মহন্ত), (৫) ধৰ্মকান্ত মহন্ত, (৬) শ্ৰীপ্ৰসন্ন কুমাৰ মালাকাৰ; (৭) শ্ৰীগিৰিশ কলিতা, (৮) শ্ৰীউত্তম মালাকাৰ, (৯) শ্ৰীকৈলাশপতি মালাকাৰ; (১০) শ্ৰীমনমোহন মালাকাৰ, শ্ৰীযোগেশ্বৰ পাঠক, (১১) শ্ৰীধৰণীধৰ মহন্ত (শিক্ষক), (১২) শ্ৰীযোগেশ্বৰ মালাকাৰ, (১৪) শ্ৰীউপেন কলিতা, (১৫) শ্ৰীবখিৰাম দাস আৰু (১৬) শ্ৰীযোগেশ্বৰ মালাকাৰ (পুনৰ নিৰ্বাচিত)।

উল্লেখ্য যে এই গ্ৰন্থৰ লেখক ১৯৫৪ চনৰেপৰা আজিলৈ বৰদধি গাঁওঁ উন্নয়ন কমিটী তথা সমাজখনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত, কিন্তু কোনোদিনে কমিটীৰ সভাপতি পদ লবলৈ বিচৰা নাছিল অথবা লৈছিল। ১৯৯১-৯২ চনৰ সময়চোৱাত কোনো লোকে সভাপতিৰ দায়িত্ব নোলোৱাতহে এই লেখকে সভাপতিৰ পদ লবলৈ [redacted] বাধ্য হয়।

**সম্পাদকসকল :**

(১) শ্ৰীগিৰিশ কলিতা, (২) খৰ্গেশ্বৰ মালাকাৰ ( পিঃ বেঙা ), (৩) ধৰ্মকান্ত মহন্ত, (৪) শ্ৰীবিপিন দাস (মালাকাৰ), (৫) শ্ৰীপ্ৰসন্ন কুমাৰ মালাকাৰ, (৬) শ্ৰীউপেন কলিতা, (৭) শ্ৰীযোগেশ্বৰ পাঠক, (৮) শ্ৰীহৰেন কলিতা (পিঃ যাদু), (৯) শ্ৰীৰঞ্জিত মালাকাৰ, (১০) ললিত কলিতা, (১১) শ্ৰীঅৰবিন্দ মালাকাৰ (শিক্ষক), (১২) ললিত কোঁৱৰ, (১৩) শ্ৰীদীপক কলিতা (শিক্ষক), (১৪) শ্ৰীৰামেশ্বৰ মালাকাৰ, (১৫) নিৰঞ্জন কলিতা, (১৬) শ্ৰীনাৰায়ণ মালাকাৰ (পিঃ হলি), (১৭) শ্ৰীতিলক দাস, (১৮) শ্ৰীঅজিত মালাকাৰ, (১৯) শ্ৰীঅনিল চন্দ্ৰ মালাকাৰ।

১৯৫৪-৯৮ চনৰ সময়চোৱাত গাঁওখনত অনেক পৰিৱৰ্ত্তন হয়। বিয়া-বাৰুত জাত-পাতৰ বিচাৰ, ঠাইৰ বিচাৰ, দূৰত্বৰ বিচাৰ আৰু বয়সৰ বিচাৰ নোহোৱা হয়। আনকি ভাগী-জ্ঞাতিৰ ভিতৰতো বিয়া হ'বলৈ ধৰে। Registered বিয়া আৰু বিনা বিয়াই ছোৱালীয়ে ল'ৰাৰ ঘৰত স্ব ইচ্ছাই সোমাই গৈ বিয়া হোৱাৰ দৃষ্টান্তও বাঢ়িবলৈ ধৰে। ১৯৮১ চনত

সমাজৰ পৰা অস্পৃশ্যতাও দূৰীকৰণ হয়। অসম আন্দোলনে গাঁওখনত অভূতপূৰ্ব পৰিৱৰ্তন আনে। এইখিনিতে অতীতত বৰদধি গাঁৱত হৈ যোৱা কিছু দলাদলিৰ কথা উল্লেখ কৰা হ'ল,—

(১) সনাতন আতা আৰু বৰদধি গাঁৱৰ বটাটোলীয়া লোকৰ মাজত ১৯৮৫ চনত প্ৰথম দলাদলি, (২) সনাতন আতাৰ বংশৰ লোকৰ লগত বাইজৰ ১৯১৫ চনত হোৱা দ্বিতীয়বাৰ দলাদলি, (৩) এঘাৰ দিনীয়া আৰু মাহেকীয়া অশৌচ পালনৰ ক্ষেত্ৰত ১৯৪৫-৪৬ চনত হোৱা তৃতীয়বাৰ দলাদলি, (৪) জাতিগত দল গঠন হোৱাৰ ফলত ১৯৪৯-৫২ চনত হোৱা চতুৰ্থবাৰ দলাদলি, (৫) ১৯৬০ চনত পঞ্চায়ত নিৰ্বাচনৰ সময়ত (গাঁও পঞ্চায়ত) হোৱা পঞ্চমবাৰ দলাদলি, (৬) পিতৃ-মাতৃ বিয়োগত পুত্ৰই মুণ্ডণ নকৰাৰ ক্ষেত্ৰত ১৯৮৭ চনত হোৱা শেষবাৰৰ দলাদলি।

সৌভাগ্যৰ কথা এই যে দলাদলিবোৰে কোনো কালে সমাজত স্থায়ীৰূপ লোৱা নাই।

●★●

## বৰদধি গাঁৱৰ মহিলা সমাজ

বৰদধি গাঁওখন সত্ৰ অনুষ্ঠানেৰে ভৰপুৰ। ইয়াৰ প্ৰতিখন সত্ৰতে অথবা কীৰ্তন ঘৰতে একোখন মহিলা সমাজ আছে। বিহুৰে-তিথিয়ে এওঁলোকে এই সত্ৰ তথা কীৰ্তন ঘৰত নাম-প্ৰসঙ্গ কৰে। ইয়াত সকলো বয়সৰে মহিলা থাকে। এইসকল মহিলাক "আইসকল" হিচাপে জনা যায়।

ধৰ্মীয় দিশত বাহিৰেকে ৰাজনৈতিক দিশত তেতিয়ালৈ তেওঁলোকৰ কোনো ধ্যান-ধাৰণা নাছিল। দেশৰ স্বাধীনতা আন্দোলনৰ লগে লগে বৰদধি গাঁৱৰ নাৰী-সমাজতো জাগৰণৰ সৃষ্টি হয়। পুৰুষৰ লগত এওঁলোকেও আন্দোলনত জপিয়াই পৰে। উভয়ৰ ত্যাগৰ ফলতে ১৯৪৭ চনৰ ১৫ আগষ্টত দেশে স্বাধীনতা লাভ কৰে।

নাৰী-জাগৰণৰ ফলত ১৯৫০ চনৰ বৰদধি গাঁৱত এখন মহিলা কমিটী গঠন হয়। কমিটীৰ উদ্দেশ্য হ'ল— নাৰী সমাজক সচেতন আৰু স্বাৱলম্বী কৰি তোলা। এই কমিটিৰ বিষয়-ববীয়াসকল আছিল—

সভানেত্ৰী— পদ্মা মহন্ত ( স্বাঃ মহৎ চন্দ্ৰ মহন্ত )।

যুঃ সম্পাদিকা— (১) সৰুবালা মালাকাৰ (স্বাঃ যুজু মালাকাৰ) (২) শ্ৰীমতী আশালতা মহন্ত ( বৰ্ত্তমান গুৱাহাটীত )।

এই কমিটিয়ে তাঁত শিল্পৰ উদ্যোগ স্থাপন কৰি স্বাৱলম্বীতাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰসৰ হৈছিল। এই কামত গাঁৱৰে শ্ৰীবিপিন দাসে (মালাকাৰ) মহিলাসকলক সকলো প্ৰকাৰে সহায় কৰিছিল। কাৰণ এওঁ আছিল এই দিশত প্ৰশিক্ষণপ্ৰাপ্ত লোক।

ইয়াৰ পিছত ১৯৫৬ চনত "বৰদধি বয়ন সমবায় সমিতি" নামৰ পঞ্জীয়নকৃত সমবায় এখন গাঁওখনত প্ৰতিষ্ঠিত হয়। এই অনুষ্ঠানে মহিলা সকলক আৰ্থিকভাৱে উন্নত কৰি তোলে। সময়ত চৰকাৰী অনুদানৰ অভাৱত সমবায়খন মৰহি যায়। এই সমবায়ৰ বিষয়-ববীয়াসকল আছিল এই গ্ৰন্থৰ লেখক শ্ৰীদণ্ডিৰাম দাস সভাপতি, সম্পাদক—(১) সুশীল মহন্ত, (২) শ্ৰীমতী হৰমায়া মালাকাৰ।

১৯৮৩ চনত "জ্ঞানোদয় মহিলা সমিতি" নামৰ পুনৰ এক অনুষ্ঠানৰ জন্ম হয়। ই চৰকাৰী পঞ্জীয়নভুক্তও হয়। গাঁওখনৰ প্ৰায়বোৰ মহিলাই ইয়াৰ সদস্যা। এই সমিতিয়ে ১৯/১/৯৮ তাৰিখে সমিতিৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰে। ইয়াত অসম বিধান সভাৰ তেতিয়াৰ উপাধ্যক্ষ নুৰুল হুছেইন আৰু প্ৰাক্তন সাংসদ ড' প্ৰবীন চন্দ্ৰ শৰ্মাইও যোগদান দিছিল। এই সমিতিৰ বিষয়-ববীয়াসকল হৈছে,—

**সভানেত্ৰীসকল :**

শ্ৰীমতী গোলাপী কলিতা (স্বাঃ গোলোক), শ্ৰীমতী চিত্ৰ মালাকাৰ ( স্বাঃ শ্ৰীমহিশ্বৰ মালাকাৰ ), শ্ৰীমতী সুৰমা দাস (স্বাঃ শ্ৰী যোগেন দাস), শ্ৰীমতী পদুমী কলিতা ( স্বাঃ শ্ৰীভগেশ্বৰ কলিতা )।

**সম্পাদিকাসকল :**

শ্ৰীমতী সুপ্ৰভা মহন্ত ( পিঃ শ্ৰীযোগেন মহন্ত), শ্ৰীমতী কনু কলিতা (পিঃ শ্ৰীউমেশ কলিতা), শ্ৰীমতী মনো মহন্ত (স্বাঃ ৰবীন মহন্ত , শ্ৰীমতী পদুমী কলিতা ( স্বাঃ শ্ৰীভগ্নেশ্বৰ কলিতা ', শ্ৰীমতী বৰ্ণালী মালাকাৰ ( স্বাঃ শ্ৰীধনীধৰ মালাকাৰ ) ।

সূতাৰ যোগান বন্ধ হৈ যোৱাত এই সমিতিৰ কামো অচল হৈ আছে। বৰদধি গাঁৱৰ মহিলাসকলে দেশৰ তথা ৰাজ্যখনৰ সকলো আন্দোলনত ( স্বাধীনতা আন্দোলন, ভাষাৰ বিভিন্ন আন্দোলন আৰু বিদেশী বহিষ্কাৰ আন্দোলন ) অংশ গ্ৰহণ কৰি আহিছে। এওঁলোক সু-সংগঠিত আৰু স্বাধীন মনোবৃত্তিৰ।

নাৰী-শিক্ষাটো বৰদধি গাঁও পিছপৰি থকা নাই। ইয়াত ছোৱালী M. E. School আৰু হাইস্কুল স্থাপিত হৈছে। বৰ্ত্তমান বৰদধি গাঁৱত উচ্চ শিক্ষিত মহিলাৰ সংখ্যা ৫০ গৰাকী। A C.S পৰীক্ষা পাচ কৰা মহিলাও এই গাঁৱত আছে। গাঁওখনৰ মহিলাসকল সদা-সচেতন। বিভিন্ন কাৰণত গাঁওখনত চলা পুলিচী নিৰ্য্যাতন গাঁওখনৰ মহিলাসকলে ৰোধ কৰিবলৈ সমৰ্থ হৈছিল। ধানবানা কলৰ আৱিৰ্ভাৱত ঢেঁকীৰ মাত শুনিবলৈ পোৱা নাযায় যদিও গাঁওখনৰ মহিলাসকলে ঘৰুৱা ( তাঁতশাল খোৱা, বাৰীত তামোল-পাণ, আদা-হালধি, শাক-পাচলি আদি) খেতি-বাতি কৰে।

বৰদধি গাঁৱৰ মহিলাসকলৰ এক বৈশিষ্টা হ'ল এই যে ইয়াত শাহু-বোৱাৰীৰ সংঘৰ্ষ কোনোদিনে হোৱা নাই। মহিলা সমাজৰ চিত্ৰ ইয়ানেই।